শ্রীদেবেশ চক্রবর্তী ঃ— অধ্যক্ষ মহোদয়, নেশানেল স্কুলে অনন্ত ভট্টাচার্য্য সম্বন্ধে যে তথ্য মন্ত্রী মহোদয় দিয়েছেন তা আমি স্বীকার করি না। কারণ তাকে প্রমোচন দিয়ে হাইস্কুল দেওয়া হয় নাই। তারপর আবার বলেছেন যে অন্য স্কুলে দেওয়া হবে। আমার প্রশ্ন হলো যে সব স্কুলে শিক্ষক নাই সেখানে সেখানে শিক্ষক দেওয়া হবে কি না ? তাছাড়া স্বীকৃতিপ্রাপ্ত স্কুলগুলিতে দেওয়া হবে কি না ?

Shri LUIS ISLARI (Minister of State) :—I have already clarified, Sir, since the post was sanctioned in the name of Shri Ananta Bhattacharjee who was subsequently transferred to Nowgong, the post remained unutilised.

শ্রীদেবেশ চক্রবর্তী ঃ— আমার প্রশ্ন রয়েই গেল স্যার। তাছড়া যে সব পোষ্টের মঞ্জুরী দেওয়া হয়েছে সে গুলির নিযুক্তি দেওয়া হবে কি না ?

Shri LUIS ISLARI (Minister of State) :—Sir, the post shall have to be filled up by another fresh candidate. I mean to say the Government is considering to fill up the vacancy of Assamese teacher post in Lumding National High School.

শ্রীদেবেশ চক্রবর্ত্তী ঃ— সেটা হলো না কেন ?

Shri LUIS ISLARI (Minister of State) :—Sir, it will be filled up soon.

মাননীয় অধ্যক্ষ ঃ— আমাৰ মন্ত্রী মহোদয়ে কৈছে যে তাত খুব তাবাতাবি নিযুক্তি দিব ।

শ্রীমথুৰা ডেকা ঃ— অধ্যক্ষ মহোদয়, এইটো অৱশ্য লাজদিওব কথা। আমাব মাননীয় বিধায়কে কৈছে যে, তাত আজিও অসমীয়াব শিক্ষক নিয়োগ কৰা হোৱা নাই। আমাব মাননীয় মুখ্যমন্ত্রী মহোদয়ে ঘোষণা কৰিছে যে,

Mr. SPEAKER :—No, no, Mr. Deka, I would request you not to raise all these matters now, against this Motion.

Now Item No. 4 Resolutions. There are four Resolutions. We will dispose of one after another Resolution. Now we take up Resolution No. 1 to be moved by Shri Binoy Kumar Basumatary.

Shri BINOY KUMAR BASUMATARY :—Mr. Speaker Sir, under Rules 150 of the Rules of Procedure & Conduct of Business of the Assam Legislative Assembly, I beg to move that "this Assembly do recommend to the Government of Assam to legalise the donations of limbs parts of body (human) by willful donors and next-of-kin of accident victims for preserving and transplanting them into other needy persons of the State."

Sir, all over the world this has become a normal practice, to cut away or remove a human limb and transplant the same in another person's body who is deficient in that part, Sir, I have a friend. In fact, he is a Member of this House who is more or less dying in the Christian Medical College and Hospital, Vellore and that is because he has failed to obtain a kidney to be transplanted. Sir, it is not only of some important organs of the human body like a kidney that is required today, but all sort of parts of human limbs have today become necessary and as medical science has improved quite a lot and it has become normal practice, I feel Sir that people of this State should not lag behind in this aspect of medical treatment. Sir, transplanting procedure has improved so much that many Hon'ble Members of this house already know that today even skin can be developed, skin can be cultured and those people who become victims of the war can obtain skin to cover their bodies. Not only that there are some common ailments like teeth problem. Today even good teeth can be preserved and good teeth can be given to a needy person. Similarly, in the developed countries, transplantation of eyes which gives a person to view this world. Therefore, Sir, there is no part in the human body now which can not be replaced. So, in this world we can all transplant our parts. But Sir, to do this legal support of the country is required. Now Sir, if I have my own children and they have to live long and we are not to live so long.

So it may happen that some part of my body may be necessary for the subsistence and livelihood of my children. But as a claim I may not, I just cannot donate my part of the body to my children if it is not legally supported. This fact is very much realised in India. Sir, so I have here with me two bills passed for the Union Territory of Delhi and this was passed by the Parliament. The first bill referred to was passed in the year 1982 and this bill, is called "The Eyes (Authority For Use For Therapeutic Purposes) Act, 1982." Sir, this is an act which is to provide for the use of eyes of deceased persons for therapeutic purposes and for matters connected therewith. Sir, India is not lagging behind in this aspect of medical treatment and the second Act I wish to refer is called "The Ear Drums and Ear Bones (Authority For Use For Therapeutic Purposes) Act, 1982". It is an Act to provide for the use of deceased persons for the therapeutic purposes and for matters connected therewith. Sir, we are not lagging behind and our country has also arrived at the same stage to that of the developed countries all over the world. These are only two examples of two parts of human bodies, Ear Drums and Eyes. Sir, Ear Drums is one of the most essential parts of the human body because this would help us to move our body or if a sound lits ear, a chain of reaction follows which makes our body move and with a concerted efforts we can react as per the decision that is arrived at in the ear. Sir, it is because of some very common factors. If we go to a Hospital we find that these Ear Drums are necessary for or replacement. It is very common for us parents to try save our children and while traying to save these children in many cases we find that some parents are very strong, and in enger slaps his child thereby the childs capacity for hearing is destroyed, for ever due to perforation of ear drum. Therefore, Sir, this Ear Drums Act was passed for the Union Territory of Delhi. Similarly, I need not say about the necessity of Eye. It is again the most essential part of the human body that is necessary for the livelihood of a person. Because we have now eyes and have the proper sight. We may become blind and then we will be unable to walk and live a normal life. Sir, there are many clauses in these two bills that is with me and it is not unknown to the Government because these two Acts have been taken out from the Part-VII of the Assam Gazette, dated February 13, 1985.

Therefore, Sir, we are aware that this has become necessary and therefore, I would like to impress upon this Government that in Assam also similar Acts are passed. Sir, you will be surprised that in developed countries every body has an Identity Card. It is only in India, we do not have Identity Cards for every person but in all other countries everybody has an Identity Card and Sir, in these Identity Cards what are mentioned; in the Identity Cards every part of the body is listed. There is a column as to what is to be done in case the man dies in accident or in case of any death. It is insured for certain amount for his children and then next of his kin and then the insured part will go to certain hospitals and organisations, where it will be transplanted to some needy persons. Thereby no human body is wasted in the developed countries and in fact, now the developed countries more or less do not go for cremation or burial of human bodies and this way every part of the human body which can be used for others are already earmarked for particular used. Sir, in the developed countries also people are now trying to manufacture human bodies. They are trying to manufacture parts of human bodies and parts of essential limbs. Sir, I do not want to lengthen my speech on this resolution, only I would like to read this Article.

Sir, I quote "It was well before down last Wednesday when Dr. Jack Copeland, the leading heart surgeon at Tucson's University Medical Ceutre, had to face the grim truth his patient was dying. Thomas Creighton, a 33-year old Arizona auto mechanic had undergone transplant surgery 24 hours earlier to replace a heart revaged by two attacks and cardiomyopathy, a progressive disease of the heart muscle. Right from the start there were problems with the transplanted organ, and a pacemarker had to be used. Then Creighton's body began rejecting the heart. At 3 p. m. he went into cardiac arrest.

As doctors struggled to keep the dying man alive Copeland's assistants made desperate calls to organ-procurement agencies, hoping to find another human do for heart for him. None was available. Copeland then made a bold decision. He opted to use a virtually untested artificial heart to sustain Creighton until another human heart could be found a direct violation of federal rules.

There was no time, Copeland later said, to seek permission from the Food and Drug Administration, which regulates the use of medical devices: "If we had asked them to make a decision, the patient would have been dead."

Friday afternoon, despite Copeland's extra-ordinary efforts, Creighton died, having survived for eleven hours with an artificial heart and nearly 36 hours with a second human heart transplant. Had he fully regained consciousness he would have learned that he had made medical history: in the space of four days his life had been sustained by four different hearts (including his own)

Throughout the marathon medical battle the big concern was time. When Creighton's heart failed on Wednesday, he was put on a heart-lung machine, a device used to pump and oxygenate blood during heart surgery. The machine could be used safely for only three or four hours before causing serious damage to blood cells and ultimately to vital organs.

As Creighton's time on the heart-lung machine ticked on with no donor heart in sight, Copeland got permission from the patient's family to try an artificial heart. He called Heart Surgeon Cecil Vaughn of St. Luke's Hospital in Phoneix who for two years has been experimenting with the 'Phoneix heart', the invention of Kevin Cheng, a dental surgeon. Vaughn was stunned; the heart was years away from FDA approval and had been tested only twice in animals. "It was like a bomb falling from the sky", he recalls. Still he agreed to helicopter to Tucson immediatly with Cheng and his invention.

But before Vaughn took off, he telephoned Dr. Donald Olsen of the University of Utah in Salt Lake City, asking him to join the rescue effort. Olsen was a member of the team that first tested the Jarvik-7 heart, which sustained Barney Clark for 112 days and was at week's end, still beating in William Schroeder and Murray Hydon at the Humana Hospital in Louisville. Although Olsen was well aware that famed Surgeon William Devries is the only doctor authorised by the FDA to implant the Jarvik-7, he agreed to fly to Tucson with the device. Said he: "In critical situation like this, we have to respond".

It was case of first come first served. Vaughn arrived in Tucson at 9-30 a. m. on Wednesday, 3½ hours ahead of the Utah team. By then, Creighton had been on the heart lung machine for nearly six hours. Says Vaughn the choice was clear "Either we try the artificial heart or we turn off the machine and tell Creighton's mother that her son is dead." After three hours of surgery, the pump was in place.

Like the Jarvik-7, the Phoneix heart runs on compressed air from a bulky external unit. The test model was built by Cheng in his spare time with limited funds and is 25% larger than a human heart. So large, in fact, that Creighton's chest had to remain open though swathed in protective materials for eleven hours the device was in place.

The Phoneix heart sustained Creighton long enough for another human heart to be found and implanted. But soon it became clear that the ten hours he had spent on a heart-lung machine had taken their till. As a result of blood-vessel damage, fluid had accumulated in his lungs, causing a buildup of pressure on the right side of his new heart that ultimately proved fatal.

"We did all we could," Copeland told reporters after the death. "As a physician, my conscience is clear." Though the FDA initially expressed disapproval of Copeland's actions and had demanded a written explanation, the agency said at week's end that it did not "contemplate any drastic penalty" for the surgeon or his hospital.

As Government officials, doctors and theologians debated the ethics of Copeland's actions, Creighton's mother and sister made their feelings clear. They thanked the doctor and the hospital staff for doing "everything within their human power to give him a life" and expressed the hope that the Phoneix heart experiment" would pave the way" for other heart patients in need. "We are thankful", they said, "that it was available for Tom."

Sir, if I tell you that you will die, you will not accept it : you want to live and the desire to live is desperate in human mind. Therefore, Sir, there are many people in the State who need some limbs and I think,

we being the highest legislative body of the State it is our solemn duty to see that human body needing the limb of another human body to live, is not deprived of this.

With these few words Sir, I would implore the House to allow the resolution to benefit those who want to live and do not want to die.

Thank you Sir.

ডঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে প্ৰস্তাৱটো উত্থাপন কৰি যি খিনি কথা কলে সেইখিনিৰ উদ্দেশ্য নিশ্চয় সত আৰু ভাল কথা হৈছে। আৰু উইলফুলি যদি ডনাৰ ওলায় তাতটো একো বাধা নাই গতিকে প্ৰস্তাৱটো লোৱাটো ময়ো ভাল বুলি ভাবোঁ। ডনাৰে ইচ্ছাকৃতভাৱে দান কৰিলে তাত আইনৰ ফালৰ পৰাও একো বাধা নাহে।

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যিটো প্ৰস্তাৱ আনিছে সেইটো মঙ্গলৰ কাৰণেই হৈছে। আমাৰ মৃতদেহৰ প্ৰতি সন্মান বেছি হয়। মানুহটো মৰিল কিন্তু চকুতো থাকি গল এনেকুৱা কথা কোৱাও শুনিছো। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা প্ৰচাৰৰ মাধ্যম প্ৰচুৰ হব লাগে। কিন্তু ডাক্তৰ সকলে যদি সত্য নাৰায়ণ পূজা পাতি বা দুৰ্গাপূজা পাতি যদি ৰোগী বেছি হওক বুলি কামনা কৰে তেতিয়াঁ হলে কেনেকৈ হব?

সেয়ে কৈছো এই দৰে যদি চকু কলিজা কিদনী আদি দান কৰিব পাৰে। মানুহৰ প্ৰত্যেক অঙ্গই প্ৰয়োজনীয় আৰু সেইবোৰ দান কৰি অন্য এজনৰ প্ৰয়োজনত লগাব পৰাটো অতি মঙ্গলজনক কথা। আমাৰ প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়েও তেখেতৰ চকু দুটা দান কৰিবৰ কাৰণে উইল কৰিছিল কিন্তু শেষত পৰিস্থিতিৰ বাবে হৈ নুঠিল।

আমাৰ প্ৰয়াত প্ৰধান মন্ত্ৰী "ইন্দিৰা গান্ধীয়ে চকুদান কৰাৰ কাৰণে দলিল কৰিছিল। কিন্তু এইটো কাৰ্য্যত পৰিণত কৰা নহল। আমাৰ শৰীৰৰ অংগ প্ৰত্যঙ্গ বিলাকৰ ক্ষেত্ৰত আমাৰ সমাজ কিছু পৰিমাণে সজাগ হব লাগে যাতে আমি মৰিও কাৰোবাক আমাৰ অংগ প্ৰত্যঙ্গ দি জীয়াই তুলিব পাৰো। সেই দৰে যি সকল দুৰ্ঘটনাত মৃত্যু ঘটে সেই সকলৰ অংগ প্ৰত্যঙ্গ বিলাক সঘনে ৰক্ষণা বেক্ষণৰ ব্যৱস্থা লব লাগে। সেই বিলাকেৰে কাৰোবাৰ কিবা যদি উপকাৰ সাধন কৰিব পাৰিব সেই অঙ্গ প্ৰত্যঙ্গ সমূহ ডাক্তৰ সকলে পৰামৰ্শ কৰি ৰাখি থোৱাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাবে চৰকাৰেও সক্ৰীয়া ভূমিকা লব লাগিব। কিন্তু ইয়াৰ কাৰণে জনসাধাৰণৰ মাজত যি খিনি প্ৰচাৰৰ দৰকাৰ হয় সেইখিনি ৰেডিয়ৰ যোগে, টেলিভিচনৰ যোগে, বাৰ্তাৰ কাকতৰ যোগে বা বিজ্ঞাপনৰ যোগেদি হলেও ৰাইজৰ মাজত প্ৰচাৰ কৰাৰ লাগে। আমাৰ মৰা শ বিলাক পুটি থোৱা, কবৰ দিয়া বা দাহন কৰা এই বিলাক প্ৰথা আমাৰ আছে। মৃতকৰ পৰা অঙ্গ বাহিৰ কৰিলে যে ল'ৰ কোনো ক্ষতি নহয় ব মৃত ব্যক্তিৰ প্ৰতি ভক্তি নকমে এই বিষয়ে প্ৰচাৰ লাগে। ইয়াৰ কাৰণে ভাল প্ৰচাৰ হলে মানুহে এই বিলাক প্ৰথাও সহজ ভাবে গ্ৰহণ কৰিব পাৰিব। মই এই খিনিকে কৈ শ্ৰীবসুমতাৰীৰ প্ৰস্তাৱটো সমৰ্থন জনালো।

শ্ৰীহেমেন দাস :— মই শ্ৰীবসুমতাৰীৰ প্ৰস্তাৱটোৰ ওপৰত অলপ কব বিচাৰিছো। এই সম্পৰ্কত মন্ত্ৰীয়ে কৈছে যে যিহেতুকে দান কৰাৰ ব্যৱস্থা আছে আৰু দানত আইনৰ কোনো বাধা নাই সেই কাৰণে আইন কৰাৰ কোনো প্ৰয়োজন নাই। কিন্তু আমাৰ ইয়াত ব্যৱস্থা হৈছে যে দান কৰিলেও গ্ৰহণ কৰিবলৈ কোনো ব্যৱস্থা নাই। মানে ট্ৰেন্সপ্লেট কৰাৰ ব্যৱস্থা নাই। সেই কাৰণে আমাৰ স্থানীয় ডাক্তৰক বাহিৰত শৰীৰৰ অংগ প্ৰত্যঙ্গ ট্ৰেন্সপ্লেট কৰিবৰ কাৰণে প্ৰশিক্ষণ দি আনিব লাগে। সিদিনা মোৰ

ওচৰলৈ এটা লৰা আহিছিল। তাৰ দুয়োটা কিডনি ডেমেজ হৈছে, বায়েকে কিডনি দিব বিচাৰে। কিন্তু আমাৰ ইয়াত এইটো কৰিবৰ কাৰণে কোনো ব্যৱস্থা নাই, ইয়াৰ কাৰণে যাব লাগে চণ্ডিগড়লৈ। তালৈ যাবলৈ বহুত টকা লাগে। তেওঁ লোকে ঘৰৰ গোটেই বিলাক বিক্ৰী কৰি ৩৫ হাজাৰ মান গোটাইছে আৰু মই কলো যে মুখ্যমন্ত্ৰীৰ ওচৰলৈ যাওক তেখেতেও সহায় কৰিব পাৰে। গতিকে আমাৰ কথা হৈছে যে কোনোবাই দান দিলেও সেইটো ট্ৰেন্সপ্লেট কৰিব পৰা ব্যৱস্থা আমাৰ ইয়াত নাই। আমি আশা কৰিছো আমাৰ স্থানীয় ডাক্তৰক বাহিৰত চকু, কিডনি আদি ট্ৰেন্সপ্লেট কৰিবৰ কাৰণে প্ৰশিক্ষণ দি আনিব লাগে। এজন মৃত্যু হোৱা লোকৰ অংগ প্ৰত্যঙ্গৰে আন এজনক জীবন দান দিব পৰাটোতকৈ গৌৰৱৰ কথা একো হব নোৱাৰে। ইয়াত 'এক্‌চিদেন্ট ভিক্‌টিমৰ' কথা কৈছে। স্বাভাৱিক মৃত্যু হলেও দান কৰিব পাৰে। আমাৰ ইয়াত যি দৰে ব্লাড বেংক গঢ় তোলা হৈছে সেইদৰে লিম্ব বেংকো গঢ় তুলিব লাগিব। আমাৰ এইটো কৰিবলৈ সময় লাগিব যদিও আমি এতিয়াৰ পৰা চিন্তা কৰিলে কেই বছৰ মানৰ ভিতৰতে এইটো সম্ভৱ হব। আইনৰ প্ৰয়োজন নাই বুলি কৈছে যদিও ইয়াৰ কাৰণে লৰাক বাহিৰত প্ৰশিক্ষণ দি অনাৰ প্ৰয়োজন আছে। মই এইটোত অগ্ৰাধিকাৰ দিব বুলি আশা কৰিলো।

Shri BENOY KUMAR BASUMATARY—Sir, I wish to rufute the comments made by the Hon'ble Minister, Health that it is not necessary Sir if it was not necessary then why the Parliament has passed an Act like this ? So, I think, it is necessary. Sir, it is so detailed I can quote a few thinks of this Act. Say, for instance, this Act may be called the Ear Drums and Ear Bones Act 1982. Clause 2. Definiations. "Administrator" means the administrator which is clear toall of us, "ear" includes ear drums and ear bones, (c) "near relative", in relation to a deceased person, means any person related to him as spouse, parent, son, daughter, brother or sister and includes any other person who is related to him (c) (i) by lineal consaguinity within three; degrees or by collateral consaguinity within six degrees or (ii) by marriage with any of the relatives aforesaid".

Sir, this is a very detailed Act and they would have faced certain problems which necessitated the passage of this Act. Sir, it is very easy for us to do something good for our next human-being. We cannot deny them to have this facility. We have to be aware of the problems and this is why, I think, this Act was passed by Parliament. I, therefore, request the Government to consider the views and act accordingly.

Shri ABDUL MUHIB MAZUMDAR (Minister, Parliamentary Affairs).—Mr. Speaker, Sir, the Hon'ble Minister, Health, has already replied the main item of Resolution that when there is no bar to donate his limbs, parts of body, the question of legalisation does not arise. If anybody desires to donate, he can do so. So, the House may not waste its valuable time on a resolution which is

of no use. Since, there is no bar at all, and that point also was mentioned by the Minister.

Shri BENOY KUMAR BASUMATARY.—Sir, I object to the remarks made by the Hon'ble Law Minister that this House should not waste time and I think he has not read the Resolution properly. The Resolution is that this Assembly, do recommend to the Government to legalise the donations of limbs, parts of body and second part for preserving and transplanting them into other needy persons. So, Sir, this cannot be a waste of time of this House. They should take care of it which the parliament has already elaborately laid. Therefore, I think this Government should not take everything lightly and I oppose such remarks and I request them to read the Resolution properly again.

Shri ABDUL MUHIB MAZUMDAR (Minister).—I am sorry, Sir, I have been misunderstood. Actually what I said it is not in the sense the Hon'ble member took it. Sir, it is the question of legalisation of the donations of limbs etc. We legalise somthing which is not permissible under the law. Here the next of kin can donate his limbs etc. at any time. There is no bar. So, to legalise the donation it is redundant. Next part is about preservation and transplantation. That depends on the facilities available in the Medical Colleges. Hon'ble Minister for Health has said that he will see how far medical facilities can be provided for such purposes. In view of this. I think, Hon'ble Members will not press for their Resolution.

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, আজি শ্ৰীদাস, শ্ৰীডেকা আৰু শ্ৰীবসুমতাৰী ডাঙৰীয়াই যিখিনি কথা কৈছে চৰকাৰে এইখিনি কথা প্ৰয়োজনীয় বুলি ভাবিছে। এই সন্দৰ্ভত আমাৰ শ্ৰীদাস ডাঙৰীয়াই যি কেইটা পৰামৰ্শ দিছে তাৰ প্ৰতি আমি বিশেষ দৃষ্টি দিবলগীয়া। চন্ডীগড় আৰু ভেলোৰৰ নিচিনাকৈ ট্ৰেন্সপ্লেনট্ৰেচনৰ যি পৰামৰ্শ দিছে সেই কেইটা উত্তম পৰামৰ্শ। কিন্তু এইখিনি কৰিবৰ কাৰণে আমাৰ যথেষ্ট টকা পইচাৰ প্ৰয়োজন। এতিয়া আমাৰ টকা পইচাৰ অভাৱ হোৱাৰ কাৰণে এইখিনি কৰিব পৰা নাই। যেতিয়া আমাৰ পুঁজি হব তেতিয়া এই কামবোৰ কৰাৰ কাৰণে চেষ্টা কৰা হব। আৰু ইয়াৰ লগে লগে আমাৰ ডাক্তৰ সকলকো প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিম। কিডনী ট্ৰেন্সপ্লেন-টেচনৰ কাম কৰিব পৰা হোৱা নাই যদিও আমাৰ গুৱাহাটী মেডিকেল কলেজত আৰ্টিফিচিয়েল লিম্ব লগোৱাৰ ব্যৱস্থা কৰা হৈছে। শ্ৰীডেকা ডাঙৰীয়াই কৈছে এই ক্ষেত্ৰত আমি ৰেডিঅ', বাতৰি কাকত আদিৰ যোগেদি এই বিষয়টো বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিব লাগে। তেখেতৰ এই পৰামৰ্শময়ো সমৰ্থন কৰো। ইয়াৰ প্ৰচাৰ ভাল দৰে হব লাগে। আৰু মই মাননীয় সদস্য সকলকো লগতে অনুৰোধ কৰো যাতে তেখেত সকলে বিভিন্ন মেল-মিটিঙত এই বিষয়টো উত্থাপন কৰি বহুল প্ৰচাৰৰ ব্যৱস্থা কৰে।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় শ্ৰীবসুমতাৰী ডাঙৰীয়াই যিষাব কথা কৈছে সেই সন্দৰ্ভত মই কওঁ যে জনসাধাৰণে— লিম্ব, কিডনী, আই আদি দান দিয়াত বাধা নাই। এইটো আমি সকলোৱে 'ওৱেল কাম' কৰিব লাগে। যিহেতু এইবোৰ দান কৰাত বাধা নাই তেনে ক্ষেত্ৰত আমি আইন কৰাৰ প্ৰস্তাৱ কিয় লব লাগে। যদি কেতিয়াবা এনে কাম কৰাত কিবা প্ৰকাৰে বাধা পাও তেনেহলে সেই বাধা দূৰ কৰাৰ কাৰণে আমি নিশ্চয় আইনৰ ব্যৱস্থা লব পাৰিম। সেয়ে মই মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যাতে এই প্ৰস্তাৱটো আৰু ইনচিষ্ট কৰিব নেলাগে।

Shri BINOY KUMAR BASUMATARI.—Sir, in view of the assurances given I do not press my Resolution.

Mr. SPEAKER.—Is it the pleasure of the House to grant leave to withdraw the Resolution ? (voices yes, yes). The Regolution is withdrawn.

*Shri HEMEN DAS.—Mr. Speaker, Sir, I beg to move that "This Assembly recommends to the Government of Assam to abolish with immediate effect, the present practice of appoir ting teachers of the High Schools in the State on the recommendation of the local members of the Assam Legislative Assembly without proper assesment of merit by a competent authority."

অধ্যক্ষ মহোদয়, এইখন বিধান সভা গঠনহোৱাৰ পৰাই বিধায়ক সকলক এটা ক্ষমতা দিয়া হৈছে— সেইটো হৈছে শিক্ষক নিযুক্তি দিয়াৰ ক্ষেত্ৰত স্থানীয় বিধায়কৰ চুপাৰীশ বা ৰিকমেণ্ডেচন। কিন্তু এই ক্ষেত্ৰত মই যোৱা বিধান সভাতো এটা কথা উল্লেখ কৰিছো আৰু এতিয়াও এটা কথাই কওঁ যে বিধায়ক সকলৰ পৰা এই দায়িত্বটো আতৰাব লাগে। কিয়নো কেইদিনমান আগতে মোৰ ওচৰলৈ কিছুমান কাগজ আহিছে— কাছাৰৰ এখন চাহ বাগানৰ এখন স্কুলত এজন শিক্ষক নিযুক্তিৰ বিষয়ে। তাত এজন শিক্ষকে এখন চাহ বাগানৰ মাজত অশেষ কষ্ট কৰি এখন স্কুল প্ৰতিষ্ঠা কৰিছিল। এতিয়া সেই শিক্ষকজন বুঢ়া হৈ আহিছে আৰু অলপতে হোৱা এটা দুৰ্ঘটনাত তেওঁ পঙ্গু হৈ পৰিল। তেওঁ যেতিয়া স্কুলখনত কাম কৰিব নোৱাৰা হল তেতিয়া তাৰ স্কুল পৰিদৰ্শকজনে তেওঁৰ লৰাজনক তাত নিযুক্তি দিলে। এই ঘটনাটো ১৯৮৩ চনৰ জানুৱাৰী নে ফেব্ৰুৱাৰী মাহত ঘটিছিল। কিন্তু আমি যেতিয়া বিধায়ক হৈ আহিলো, সেই সমষ্টিৰ যিজন বিধায়ক তেখেতে স্কুল পৰিদৰ্শকক নিৰ্দেশ দি সেই লৰাজনক চাকৰিৰ পৰা আতৰাই আন এজনক তাৰ ঠাইত নিযুক্তি দিলে। ইয়েই হৈছে ক্ষমতাৰ অপব্যৱহাৰ। এই বিষয়টো লৈ সেই পঙ্গু শিক্ষক জনে আমাৰ শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়লৈ বহুতো লিখা লিখি কৰিছিল আৰু শিক্ষা-মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীয়েও তেওঁলৈ কিবাকিবি লিখিছিল। কিন্তু শেষত একো কাম নোহোৱাত বৃদ্ধ শিক্ষকজনে উপায়বিহীন হৈ শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ লিখা সকলো কাগজ-পত্ৰ সহ ভাৰতৰ প্ৰধান-মন্ত্ৰী মহোদয়লৈ চিঠি এখন লিখিছিল আৰু তাৰে কপি এটা ভাগ্যক্ৰমে মোৰ হাততো পৰিলহি। ই এটা মৰ্মান্তুক কাহিনী। অধ্যক্ষ মহোদয়, আপুনি চাওক এই বৃদ্ধ শিক্ষকজনে কিমান কষ্টেৰে পিচপৰা চাহ-বাগান এখনত গৈ স্কুলখন পাতিলে তাৰ পিচত এক্সিডেণ্ট হৈ জীৱনৰ কাৰণে পঙ্গু হৈ পৰিল, তেতিয়া স্কুল পৰিদৰ্শকে তেওঁৰ লৰাজনক চাকৰি এটা দিলে আৰু আমাৰ বিধায়ক এজনে তাক চাকৰিৰ পৰা খেদিলে— এইটো কেনে ধৰণৰ বিচাৰৰ কথা হল ? এইটো সেই বৃদ্ধৰ পৰিয়ালটোৰ ওপৰত অত্যাচাৰ কৰা নহলনে ?

উপাধ্যক্ষ মহোদয়, কেইদিনমান আগতে মোৰ ওচৰলৈ এজন লৰা আহিছিল। তেওঁ মোক কৈছিল যে তেওঁ চাৰি মাহ এখন স্কুলত চাকৰি কৰাৰ পিচত তিওঁক খেদি তেওঁৰ ঠাইত আন এজনক এতিয়া নিযুক্তি দিছে। উপাধ্যক্ষ মহোদয়, আমি জানো যে ৰেগুলেচন ৩(এফ) ত নিযুক্তি দি টাৰ্মিনেট কৰিব পাৰি কিন্তু এই লৰাজনৰ ক্ষেত্ৰত তেওঁক চাৰি মাহৰ কাৰণে নিযুক্তি দি কোনো কাৰণ নোহোৱাকৈ টাৰ্মিনেট কৰি সেই ঠাইত আন এজনক নিযুক্তি দিয়াৰ কি যুক্তি থাকিব পাৰে ? এইয়া জানো বিধায়ক

সকলৰ ক্ষমতাৰ অপব্যৱহাৰ হোৱা নাই? এইদৰে আমাৰ শিক্ষা বিভাগত নিযুক্তিৰ ক্ষেত্ৰত বহুতো খেলি-মেলিৰ সৃষ্টি কৰা হৈছে। আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে এটা কথা কৈছিল যে জিলা আৰু মহকুমা ভিত্তিত বৰ্ডপাতি দিয়া হৈছে। আৰু সেই বোৰ্ডে শিক্ষক নিযুক্তি দিব। এই ক্ষেত্ৰত বোৰ্ডৰ কৰিবলগীয়া কাম আছিল যে তেওঁলোকে গোটেই বছৰটোৰ কাৰণে ইণ্টাৰভিউ লৈ প্ৰাৰ্থী বাছনি কৰি এখন তালিকা প্ৰস্তুত কৰা আৰু তাৰ পৰা নিযুক্তি দি থকা। কিন্তু সেই মতে কাম কৰা হোৱা নাই। উপাধ্যক্ষ মহোদয়, আমি যদি শিক্ষাগত অৰ্হতা নোচোৱাকৈ স্কুলত শিক্ষক নিযুক্তি দিও তেনেহলে তাৰ ফল অহা ৩০ বছৰলৈ ভোগ কৰিব লাগিব। কিয়নো এই শিক্ষকজনে ৩০ বছৰলৈ চাকৰি কৰিব। আমি শিক্ষাৰ তথা শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত এটা সুস্থ নীতি মানি নচলিলে—ছাত্ৰ সকলক এক বিৰাট অন্যায় কৰা হব। সেই কাৰণে আজি মই এই প্ৰস্তাৱটো আনিব লগা হৈছে আৰু শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত আমাৰ বৰ্ত্তমান যিটো নিয়ম চলি আছে সেই নিয়মটো সম্পূৰ্ণ উঠাই দি নতুন নিয়ম প্ৰবৰ্ত্তন কৰিব লাগে। যাৰ ফলত আমাৰ শিক্ষাৰ মানদণ্ড উন্নত হয়। আমাৰ লৰা সকলে যোৱা কেইবছৰত আন্দোলন কৰি— পৰীক্ষাত নকল কৰাটো গণতান্ত্ৰিক অধিকাৰ বুলি ভাবি শিক্ষাৰ যি অৱনতি ঘটালে, আমি এতিয়া বিধায়ক সকলে তাৰে কিছু অংশ হলেও পূৰাব লাগে আৰু সেয়ে আজি এই সদনত মই এই প্ৰস্তাৱটো ডাঙি ধৰিছো।

শ্ৰীমথুৰা ডেকা :— উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই আজি যিটো প্ৰস্তাৱ উত্থাপন কৰিছে তাৰে কেইযাবমান কথা মই সমৰ্থন কৰিম আৰু কিছু কথা সমৰ্থন নকৰিম। সমৰ্থন এই কাৰণেই কৰিব নোৱাৰিম— আমি বিধায়ক সকলেই যদি বেকাৰ সকলৰ পৰা 'চেলাম' নেপাও তেন্তে পাম কাৰ পৰা? কিন্তু এই খিনিতে এটা কথা কৈ থও যে চেলাম পোৱাৰ লগে লগে চালামীৰ ক্ষেত্ৰত যাতে কিছু বেহাই দিয়া হয়। আমাৰ শিক্ষা বিভাগত এটা নিৰ্দ্দেশ থাকিব লাগে বিশেষকৈ প্ৰাইমেৰী শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত— যাতে তেওঁলোকে প্ৰশিক্ষণ প্ৰাপ্ত হয় বা আগতে কোনো স্কুলত কাম কৰাৰ অভিজ্ঞতা থকা হয়। আমি আজি প্ৰাইমেৰীতেই হওক বা হাইস্কুলতেই হওক শিক্ষক নিযুক্তিৰ যিখিনি নীতি নিয়ম মানি চলিব লাগে সেই নীতি নিয়ম মানি চলা নাই। কোনে কেতিয়া কাক নিযুক্তি দিয়ে বিচাৰ নাই। আমাৰ শিক্ষা মন্ত্ৰী মহোদয়েও কিছুমান প্ৰাৰ্থীৰ দৰখাস্ত বিক্‌মেণ্ড কৰি দিয়ে কিন্তু তেওঁলোকৰ অৰ্হতালৈ চকু নিদিয়ে। আমাৰ কিছুমান হাইস্কুলত মেনেজিং কমিটিৰ মইমতালিৰ কাৰণে য'ত বিজ্ঞানৰ শিক্ষকৰ প্ৰয়োজন তাত কলাৰ শিক্ষকৰ নিযুক্তি দিছিল। য'ত অংকৰ শিক্ষকৰ প্ৰয়োজন তাত আন বিষয়ৰ শিক্ষক নিযুক্তি দিয়া হৈছিল। শিক্ষা বিভাগৰ এইবোৰ খেলি-মেলি দূৰ কৰিব লাগে। উপাধ্যক্ষ মহোদয় এই খিনিতে মই আৰু এষাৰ কথা কব খুজিছো যে চৰকাৰে শিক্ষা বিভাগলৈ কিছুমান নিৰ্দ্দেশ পঠাব লাগে। সেই নিৰ্দ্দেশত কব লাগে যাতে বিধায়ক সকলে যিবোৰ প্ৰাৰ্থীৰ দৰখাস্ত অনুমোদন কৰি পঠায় সেইবোৰ যদি চাকৰিৰ নৰ্মচত নপৰে তেনেহলে সেইবোৰ গ্ৰাহ্য কৰিব নেলাগে। এই খিনিতে বিধায়ক সকলৰ মান সন্মানৰ কথাও আছে। এই কামটো এনেদৰে কৰিব লাগে যাতে দুয়োকুল ৰক্ষা পৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সদনত শিক্ষাৰ বিষয়ে অনাত মাননীয় মুখ্যমন্ত্ৰীয়ে অলপ চাব লাগে। শিক্ষক বিলাক ঠিকমতে নিযুক্তি হব লাগে। এম, এল, এ, সকলে লিখি দিলেই যে নিযুক্তি পাব লাগে সেইটো নহয়। শিক্ষক বিলাকৰ যাতে ঠিক মতে নিযুক্তি পায় তাৰ বাবে চাব লাগে। এজন বিধায়কে যদি আণ্ডাৰ গ্ৰেজুৱেটৰ ঠাইত গ্ৰেজুৱেট শিক্ষক নিযুক্তি দিয়ে, তেতিয়া শিক্ষা বিভাগে এইটো চাব লাগে। আমাৰ হাইস্কুল বিলাকত বহুত শিক্ষকে গ্ৰেজুৱেট স্কেলত চাকৰি নেপাই আণ্ডাৰ গ্ৰেজুৱেট স্কেলত চাকৰি কৰি আছে। এই ক্ষেত্ৰত যাতে আমাৰ বিধায়ক সকলো ৰক্ষা পৰে। দুয়ো পক্ষই যাতে সম্পূৰ্ণ ৰক্ষা পায়। 'সাপো মৰক, লাঠীও নাভাঙক'। এই কথাটো হব লাগে। মই মুখ্য মন্ত্ৰী মহোদয়ক দৃষ্টি গোচৰ কৰিছো আমাৰ শিক্ষা ব্যৱস্থা ভাল হব লাগে। ভাল হোৱাৰ কাৰণে সকলো ব্যৱস্থা লব লাগে। চৰকাৰে শিক্ষক বিলাক লয়, কিন্তু স্কুল বিলাক নলয়। যদি বাইজে সেই স্কুলৰ পৰা শিক্ষক বিলাক আতৰাই দিয়ে যে তোমালোকক চৰকাৰে দৰমহা দিছে, তোমালোকে আমাৰ সজা ঘৰৰ পৰা যোৱা এই ঘৰ, এই মাটি আমাৰ। তেতিয়া চৰকাৰৰ সন্মান ক'ত থাকিব? কেইজনমান মানুহক দৰমহা দিয়াৰ কাৰণে স্কুল বন্ধা নাই। বৰ্ত্তমান মেনেজিং কমিটিৰ ক্ষমতা নাই। গতিকে চৰকাৰে এই শিক্ষা বিভাগৰ সকলো দিশলৈ চোৱা দৰকাৰ। এই খিনি কৈয়ে দাস ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটো কেইটামান বিষয় সমৰ্থন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

গাওঁৰ বাইজে নিজৰ, দহৰ লৰা-ছোৱালী শিক্ষিত হওক বুলি সমাজ থনত শিক্ষাৰ পোহৰ পৰাৰ বাবে স্কুল সাজিছিল। কিন্তু সমাজ আৰু ৰাজ্যিক ৰাজনৈতিক বাটাবৰণে জনসাধাৰণৰ সকলো আশা ধুলিসাৎ কৰিলে।

শ্ৰীপূৰ্ণ বড়ো :— উপাধ্যক্ষ মহোদয়, শ্ৰীদাস ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটোৰ সমৰ্থনত দুআষাৰ কব বিচাৰিছো। হাইস্কুলৰ শিক্ষকতাৰ কাৰণে আমাৰ ওচৰলৈ বহুত প্ৰাৰ্থী আহে। হাইস্কুল-বিলাকত নতুনকৈ পোষ্ট ওলোৱা নাই। কোনোবা ৰিটায়াৰমেণ্টত গৈছে, কোনোবা এক্সপেয়াৰ হৈছে এনেকুৱা ধৰণৰ পোষ্টৰ কাৰণে আমাৰ ওচৰলৈ প্ৰাৰ্থী আহে। সেই এটা বা দুটা পোষ্টৰ কাৰণে আমাৰ ওচৰলৈ হেজাৰ হেজাৰ প্ৰাৰ্থী আহে। বিধায়ক সকলক তেওঁলোকে কয় হাইস্কুলৰ পোষ্ট ওলাইছে। যি প্ৰাৰ্থী বিধায়কৰ ওচৰলৈ আহে তাৰ ভিতৰত এজন প্ৰাৰ্থীয়েহে নিযুক্তি পায়। অৱশ্যে এটা সময় আছিল ১৯৮৩ চনৰ নিৰ্বাচনৰ পাচত বিধায়কৰ কাষলৈ সাধাৰণতে প্ৰাৰ্থী নাহিছিল। এতিয়া বিধায়কৰ জৰিয়তে দৰখাস্ত ৰিকোমেণ্ড কৰা হল। আজি আৰু সেই পৰিস্থিতি নাই। টকা লৈ নিযুক্তি দিয়াৰ ব্যৱস্থা চলিছে। গতিকে এম, এল, এ, সকলৰ ৰিকোমেণ্ডৰ যোগেদি নিযুক্তি দিয়াটো বন্ধ কৰিব লাগে। বহুত পৰীক্ষাৰ্থীক যি মেৰিটৰ ওপৰত ৰিজাল্ট হয় এই বিলাক বিবেচনা নকৰি বিধায়কে কোনোবা এজনক গুৰুত্ব দি প্ৰাৰ্থী জনৰ নিযুক্তিৰ ব্যৱস্থা কৰে। এইবিলাক ক্ষেত্ৰত বহুত অগুহী বগুহীৰ কথা আহিব। তাৰ পিচত আহিব স্বজন পোষণৰ কথাটো। পৰীক্ষাত যি সকলে ভাল কৰিছে তেওঁলোকক নিযুক্তি দিয়াৰ ব্যৱস্থা হলে তেওঁলোকে নিযুক্তি পোৱাৰ সম্ভাৱনা থাকে। গতিকে সেই কাৰণে বিধায়ক সকলৰ যোগেদি নিযুক্তি দিব নালাগে বুলি যি প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থন কৰিছো। পেপাৰে পত্ৰে বহুত কথাই ওলাইছে। এইটো অৱশ্যে বিধায়কে নিযুক্তি দিয়াৰ কথা নহয়। কিন্তু বৰ্ত্তমান কি চলি আছে এই সম্পৰ্কেই হব। এই খবৰ 'সপ্তাহিক জনজীৱন'ৰ ২৯ জানুৱাৰী তাৰিখে ওলাইছে। এনেধৰণে "এজন ভদ্ৰলোকে লগত এগৰাকী যুৱতীলৈ অসমৰ শিক্ষাধিকাৰৰ কাৰ্য্যালয়ত প্ৰৱেশ কৰিলে। যুৱতী গৰাকী চাকৰি প্ৰাৰ্থী। এঘৰ মিটিৰৰ যোগেদি ভদ্ৰলোক শিক্ষাধিকাৰৰ পৰিচিত। যুৱতী গৰাকীৰ হৈ ভদ্ৰলোকে চাকৰিৰ এটাৰ খাৰ্টনি ধৰিলে। প্ৰাৰম্ভিক কথা বতৰাৰ পাচত শিক্ষাধিকাৰে কলে—"তেনেহলে আপুনি এতিয়াই এখন দৰ্খাস্ত লিখি দিয়ক" যুৱতীয়ে কাগজখন লৈ-নিলিখি বৈ থাকিল।

"কিয় বৈ আছে, সোনকালে লিখি দিয়ক। ডি, পি, আই। উপাই নাপাই যুৱতীয়ে কলে—"মই ইংৰাজীত ভালকৈ লিখিব নাজানো চাৰ"। "বাৰু ইংৰাজীত নালাগে অসমীয়াতে লিখি দিয়ক"। —ডি, পি, আই। কিন্তু তেতিয়াও দুযুৱতী বহিয়ে থাকিল। শেষত অসমীয়াতো যেতিয়া দৰ্খাস্তখন লিখিব নোৱাৰে বুলি জনালে লগত যোৱা ভদ্ৰলোকেই কাগজখন লিখি দিলে আৰু যুৱতীৰ চাকৰি হৈ গল।

এই হল এটা নমুনা। প্ৰতিনিধি সকলৰ ওপৰত বহুত দায়িত্ব আছে। ইণ্টাৰভিউ মতে নিয়োগ কৰিলে মেৰিটবিয়াচ সকলে নিযুক্তি পাব। হাইস্কুলৰ শিক্ষক হবলৈ হলে নিশ্চয় মেৰিট ভাল হব লাগিব। যিহেতু হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী সকলক পঢ়াব লাগিব। সেই ক্ষেত্ৰত যদি ভালজন নিযুক্তি নাপায় ছাত্ৰ সকলক শিক্ষা দিয়াৰ অন্তৰায় হব। চাকৰিৰ অভাৱ আছে বুলি বিধায়ক সকলে যাকে তাকে নিযুক্তি দিলে ভাল নহব। বিধায়ক সকলে এই সকলোবোৰ চাই দায়িত্বলৈ ৰিকোমেণ্ড কৰিব লগা হৈছে। অৰ্হতা সম্পন্ন সকলক চৰকাৰে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিলে এইবিলাকৰ পৰা অব্যাহতি পোৱা হব। এইখিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীঅলিত বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটোৰ সমৰ্থনত মই মাত্ৰ এটা কথাই কবলৈ বিছাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, হাইস্কুল বিলাকৰ শিক্ষক নিযুক্তিৰ বাস্তৱ অভিজ্ঞতাৰ মই এই কথা কব খুজিছো যে, যেতিয়া কোনো এখন স্কুলত কোনো শিক্ষকৰ পদ খালি হয় বা কোনো শিক্ষকক নিযুক্তি দিব লগীয়া হয় তেতিয়া সেই স্কুলৰ হেড্মাষ্টৰ সকলৰ পৰা সবিশেষ সকলো বিলাক ৰিপৰ্ট সংগ্ৰহ কৰি নিয়োগ দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়। আজি এই অভিযোগ আমি পাইছো যে, স্কুলৰ হেডমাষ্টৰ সকলে

সমষ্টিৰ বিধায়ক সকলৰ লগত যোগাযোগ নকৰে। গোপনে গোপনেই ইন্সপেক্টৰ বা ডি, পি, আইক লগ কৰেগৈ। ফলত কেতিয়াবা 'আৰ্টচ'ৰ পদ খালি হলে 'চায়েন্স'ৰ প্ৰাৰ্থী লয় বা কেতিয়াবা ইন্টাৰমেডিয়েট স্কেলত 'গ্ৰেজুৱেট' সোমোৱাই ৰাখে এই কথা বিলাক ঘটি থাকে। গতিকে যাতে এই খেলি মেলি বিলাক হব নোৱাৰে তাৰ কাৰণে হাইস্কুল শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত যাৱতীয় সকলো বিলাক তথ্যপাতি হেডমাষ্টৰ সকলৰ পৰা আহৰণ কৰি সেইমতে সংশ্লিষ্ট কতৃপক্ষৰ লগত যোগা যোগ কৰি কাম বিলাক কৰিলে কাম বিলাক নিয়মিতকৈ হয় আৰু কোনো কুযোগ নেথাকে।

এইখিনিকে কৈ অধ্যক্ষ মহোদয়, মই এই প্ৰস্তাৱটো সমৰ্থন কৰিছো।

শ্ৰীৰমেশ ফুকনঃ—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱৰ জৰিয়তে হাইস্কুল শিক্ষকসকলৰ নিযুক্তিৰ ক্ষেত্ৰত বিধায়ক সকলৰ পৰামৰ্শৰ বৈধ্যতাৰ যি প্ৰশ্ন তুলিছে তাৰ মই বিৰোধীতা কৰি মোৰ বক্তব্য ৰাখিব খুজিছো।

মাননীয় অধ্যক্ষ মহোদয়, যি সকল জনপ্ৰতিনিধিয়ে একো একোটা অঞ্চলৰ প্ৰতিনিধিত্ব কৰিছে সেই বিলাক অঞ্চলৰ হাই স্কুলৰ শিক্ষক সকলৰ নিযুক্তিৰ ক্ষেত্ৰত এটা পবিত্ৰ কৰ্ত্তব্য আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও এই সম্পৰ্কত চৰকাৰৰ গৃহীত নীতিৰ ঘোষণা কৰিছে। 'মেৰিট ৰেছিচ'ত নিয়োগৰ ব্যৱস্থা হলে 'পপুলেশ্বন পেটাৰ্ণ ৰিফলেক্ট' হোৱাত সন্দেহ আছে। উদাহৰণ স্বৰূপে মোৰ সমষ্টিতে চলচলি হাই স্কুল বুলি এখন স্কুল আছে। তাৰ বাসিন্দাৰ শতকৰা বিশেষকৈ ওচৰত বাস কৰা লোক সকল অসমীয়া মুছলমান সম্প্ৰদায়ৰ। তাত ১৯৬২ চনৰ পৰা এতিয়ালৈকে শতকৰা এজন শিক্ষকেও এই অসমীয়া মুছলমান অধ্যুষিত গাওঁ বিলাকৰ পৰা নিয়োগৰ সুবিধা পোৱা নাই।

উপাধ্যক্ষ মহোদয়, আমাৰ শিক্ষা মন্ত্ৰীদেৱে এখন চিলেশ্বন কমিটি কৰিম বুলি ঘোষণা কৰিছিল। সেই মৰ্মে আমি যিবিলাক শিক্ষকক নিযুক্তি দিছো সেই সকলক চাৰি মাহে মাহে মিনিউৱেল'ৰ ব্যৱস্থা কৰা হৈছে। কিছুমান শিক্ষকে ৰিটায়াৰ হোৱাৰ চাৰি পাছ মাহ মানৰ আগতে ছুটি লৈ বহি থাকে আৰু তেখেতৰ সেই পদত নিজৰ পুতেক জীয়েক বা ইণ্ট-কুতুম্বৰ কোনোবা লোকক সোমোৱাই ৰাখি যেতিয়া তেখেতৰ ৰিটায়াৰমেণ্ট হব সেই পোষ্টতে নিজৰ লোকসকলক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰে বা নিযুক্তি দিয়াৰ কাৰণে জোৰ কৰে। মোৰ সমষ্টিতে থকা তেনে এজন শিক্ষকৰ কথা মই জানো। এই বিলাক ঘটনা নিয়োগৰ ক্ষেত্ৰত ঘটি থাকিলে আৰু শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত বিধায়ক সকলৰ মতামতৰ বৈধতাৰ প্ৰশ্ন তুলিলে 'পপুলেশ্বন পেটাৰ্ণ ৰিফলেক্ট' নহব। এজন ৰিটাৰ্ড শিক্ষকৰ ঘৰত চাৰি পাছ জন উপাৰ্জন কৰা লোক থাকিলেও নিজৰ সেই পদৰীত কোনো নিজৰ মানুহক সোমোৱাই লবৰ কাৰণে এই ধৰণৰ ব্যৱস্থা কৰে। মোৰ সমষ্টিৰ এজন শিক্ষকে ছমাহৰ ছুটি ললে 'অৱসৰ হোৱাৰ আগতে' আৰু সেই পোষ্টত তেওঁৰ একমাত্ৰ কন্যাক সোমোৱাই ৰাখিলে। ইতিমধ্যে সেই ছোৱালীজনীৰ এজন ভাল অফিচাৰৰ লগত বিয়াৰ বন্দবস্ত হল। বিয়াৰ পিছত যিহেতুকে ছোৱালী জনী গিৰিয়েকৰ ঘৰলৈ যাব, তাৰোপৰি, শিক্ষক জন স্বচ্ছ অৱস্থাপন্ন মানুহ গতিকে যোগ্য আন এজনক দিবৰ কাৰণে ছোৱালী জনীক তাৰ পৰা আতৰ কৰা হল। কিন্তু সেই শিক্ষক জনে উচ্চ পৰ্য্যায়লৈকে সকলো তল ওপৰ কৰিলে। তেওঁ কণা মানুহ, অৱস্থা বেয়া, থাবলৈ নাই ইত্যাদি নানান মিছা কথা কবলৈ ধৰিলে। ইন্সপেক্টৰে এই কথা বিলাকত পতিয়ন গৈ মানৱতাৰ খাতিৰত এই ছোৱালী জনীক পদটো দিবলৈ আমাক কয়। অথচ সেই একমাত্ৰ ছোৱালী জনীয়েই বাপেকৰ মৃত্যুৰ পিছত সকলোবিলাক সম্পত্তিৰ একমাত্ৰ উত্তৰাধিকাৰী হব।

মাননীয় অধ্যক্ষ মহোদয়, আজি যোগ্যতাৰ কথা কোৱা হৈছে। এই সংক্ৰান্তত উপযুক্ত কমিটিটো গঠিত নোহোৱালৈকে চাৰি মাহৰ মূৰে মূৰে শিক্ষক সকলক ৰিনিউৱেল কৰাৰ দিহা কৰাহৈছে। কিন্তু বিধায়ক সকলৰ মেৰিট এছেচ যোগ্যতা ভাবিব নালাগে। এই ক্ষেত্ৰত বিধায়ক সকলক আতৰাই তাৰ দ্বাৰা অযোগ্য শিক্ষকক নিযুক্তি দিব লগীয়া হলে বা সেই মৰ্মে পৰামৰ্শ দিলে ভৱিষ্যতে আমাৰ সমাজত তথা দেশৰ ভীষণ ক্ষতি হব। এই সদনৰ কোনো মাননীয় সদস্যই নিজৰ অঞ্চলৰ কোনো স্কুলতে নিজৰ ৰাজনৈতিক স্বাৰ্থত কোনো অযোগ্য লোককে শিক্ষক হিচাবে নিযুক্তি দিবলৈ সংশ্লিষ্ট কতৃপক্ষক পৰামৰ্শ দিয়া নাই। সেই কাৰণে মাননীয় সদস্য দাস ডাঙৰীয়াৰ প্ৰস্তাৱৰ মই বিৰোধীতা কৰিবলৈ বাধ্য হৈছো।

শ্ৰীকিৰণ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, শ্ৰদ্ধেয় হেমেন দাস ডাঙৰীয়াই যিটো প্ৰস্তাৱ দাঙি ধৰিছে সেইটোৰ মই প্ৰতিবাদ কৰিছো। কিয়নো বিধায়ক সকলে নিযুক্তি নিদিয়ে মাত্ৰ ৰিকমেণ্ডেশ্বন কৰে। যদি হাই স্কুলৰ ক্ষেত্ৰত ৰিকমেণ্ডেশ্বন কৰিব নেলাগে বুলি কয় সেইটো বৰ ঠিক কথা নহ'ব। কিয়নো বাকী বিলাকৰ কাৰণে ৰিকমেণ্ডেশ্বন কৰি কেৱল হাই স্কুলৰ কাৰণে নকৰিব সেইটো হ'ব নোৱাৰে। নিজৰ সমষ্টিৰ প্ৰাৰ্থী সকলক চুপাৰিচ কৰাটো একো ভুল নহয় বুলিয়েই আমি ধাৰণা কৰো। কোনো স্কুলত কলা বা বিজ্ঞান শ্ৰেণীৰ স্নাতক লাগিবনে কি অৰ্হতা লাগিব সেইটো অৱশ্য নজনাকৈ যদি বিধায়ক সকলে ৰিকমেণ্ডেশ্বন দিয়ে সেইটো বেলেগ কথা আৰু মই ভাবো কোনো বিধায়কে সেইটো নজনাকৈ ৰিকমেণ্ডেশ্বন নকৰে। গতিকে এই প্ৰস্তাৱটো অবাস্তৱ বুলি ভাবি এই প্ৰস্তাৱৰ বিৰোধীতা কৰিছো।

শ্ৰীআব্দুচ চোভান :— অধ্যক্ষ মহোদয়, দাস ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি দুআষাৰ মাত নকৈ নোৱাৰিছো। আমি জানো যে আমাৰ জনপ্ৰিয় চৰকাৰ হোৱাৰে পৰা সকলো দিশতে ৰাজ্যখনত আমূল পৰিবৰ্ত্তন আনিছে। সেই কথাটো কোনো মাননীয় সদস্যই অস্বীকাৰ কৰিব নোৱাৰে। বিধায়ক সকলে নিজৰ নিজৰ সমষ্টিৰ এক ডেৰ লাখ মানুহৰ প্ৰতিনিধি কৰে। সেই হিচাবেই এই সদনলৈ আহিছে। মাননীয় সদস্য দাস ডাঙৰীয়াই কৈছে যে বিধায়ক সকলে ৰিকমেণ্ডে কৰিলে সেইটো ঠিক নহ'ব এই কথাটো মই যুক্তিযুক্ত বুলি নাভাবো। এক দেৰ লাখ মানুহৰ প্ৰতিনিধিত্ব কৰা বিধায়ক এজনে নিশ্চয় যিকোনো এজন লোকক ৰিকমেণ্ডে নকৰে কিয়নো ইয়াত তেখেতৰ নাম বদনামৰ কথা জড়িত আছে। আজি দুবছৰ ধৰি জনপ্ৰিয় চৰকাৰ হোৱাৰে পৰা মাননীয় বিধায়ক সকলে ৰিকমেণ্ড কৰি দিয়াৰ পিচত নিযুক্তি পোৱা কোনো শিক্ষকৰ পৰা কোনো ধৰণৰ প্ৰতিবাদ পোৱা নাই। গতিকে একেবাৰে এটা প্ৰস্তাৱ সদনত অনাৰ কোনো গুৰুত্ব আমি দেখিবলৈ পোৱা নাই। মাননীয় সদস্য শ্ৰীফকৰুদ্দিন ডাঙৰীয়া আৰু শ্ৰীবৰা ডাঙৰীয়াই পৰিস্কাৰ ভাৱে কৈছে যে ইণ্টাৰভিউৰ জৰিয়তে সকলো ক্ষেত্ৰতে জাষ্টিচ দিয়া সম্ভৱপৰ নহ'ব। কিয়নো পিচপৰা সম্প্ৰদায়ৰ লোক সকল কেৱল যদি ইণ্টাৰভিউৰ জৰিয়তেহে নিযুক্তি দিব পৰা যায় তেতিয়াহলে তেওঁলোকে প্ৰয়োজনীয় সংখ্যক নিযুক্তি নাপাব আৰু ফলত পিচপৰা আৰু পিচপৰি যাব। মন্ত্ৰী মহোদয়ে সদনত বিতং ভাবে কৈছে যে কেৱল পিচপৰা সম্প্ৰদায়ৰ ক্ষেত্ৰতো ইণ্টাৰভিউৰ মাত্ৰ নিযুক্তিৰ মাপকাঠি হলে পিচপৰা সম্প্ৰদায়ৰ কাৰণে বহুত অসুবিধা আহি পৰিব। চৰকাৰৰ যিটো ভিউ পইণ্ট চোচিয়েলিজম আৰু চেকুলাৰিজিম সেইটো ইণ্টাৰভিউৰ ওপৰত ভিত্তি কৰিলেই কৰাতো সম্ভৱপৰ নহ'ব। তেতিয়া জনপ্ৰিয় চৰকাৰ জনপ্ৰিয় হৈ নাথাকিব। গতিকে অধ্যক্ষ মহোদয়, মাননীয় সদস্য দাস ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰিছো আৰু তেখেতক অনুৰোধ জনাইছো যেন এই প্ৰস্তাৱটো ৰাইজৰ স্বাৰ্থত তথা ৰাজ্যখনৰ স্বাৰ্থত তথা দেশৰ স্বাৰ্থত এই প্ৰস্তাৱটো উঠাই লব লাগে।

Shri BINOY KUMAR BASUMATARI.—Sir, in support of this resolution I just wish to say a few words. Sir, the High School section of the State are not a matter to be taken lightly. Sir, this resolution has pertinently stated about the practice of appointing teachers of High Schools. Sir, with regard to reflecting the population pattern in the matter of appointments, this can be implemented only at the primary stages, which by this resolution, we have not stated anything contrary to the present system that is being followed at the elementary level. What we wanted to say is that this system cannot be followed in the High School level as the High School section is a specialised section. I have already narrated before the House the difficulties faced by me in the matter of appointment of a Science Teacher. Sir, in our school we

do not have a Mathematics Teacher. Sir, in fact, in my constituency it is not I who recommend, it is some of the Ministers who recommend or the ruling party members who recommend appointment of teachers. As a matter of fact, I am not taken into confidence and therefore, the high school in my constituency does not have a Mathematics Teacher. Sir, we want our students to come out and face the world. Sir, we are living in technical era and we have to specialised our children in new methods of technologies and sciences. I do not think that the appointment of High School teachers should be frittered away or gambled away in such a manner. Sir, the High School education should be taken very seriously because this is stage where the students prepare themselves for higher education.

Therefore, Sir, in line with the University education, I think, there should be a proper guideline in the matter of appointment of High School Teachers, Sir the mover of the resolution stated that members of the Assam Legislative Assembly can continue to be in such Boards. He, therefore, did not say that the members of the Assam Legislative Assembly should be disassociated totally from the procedure. The resolution brought in by him wants only stop the present practice of enforcing direct appointment of Teachers of High Schools. For the betterment of students and in the interest of High Schools, I think we should not be partisan. We will not support the procedure in case we find the officials who are being given the benefit of processing the matters are trying to sabotage or work against the desire of the House. Therefore, I support this resolution and appeal to the Government to accept it.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— মাননীয় অধ্যক্ষ ডাঙৰীয়া, হাইস্কুল শিক্ষকৰ নিয়োগৰ ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীহেমেন দাস প্ৰমূখ্যে আন আন বিধায়ক সকলে প্ৰস্তাৱ উত্থাপন কৰিছে আৰু তেখেত সকলৰ বক্তব্য ৰাখিছে। হাইস্কুল শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যিটো নীতি আছে সেই মতে হাইস্কুলৰ শিক্ষক সকলক ইন্সপেক্টৰ সকলে নিয়োগ কৰে। বিধায়ক সকলে ৰিকমেণ্ডেশ্বন দিয়ে। এই ৰিকমেণ্ড কৰাটোৱেই ফাইনেল হব নোৱাৰে। আকৌ ইন্সপেক্টৰ সকলৰো দায়িত্ব আছে শিক্ষক নিয়োগৰ ক্ষেত্ৰত যি বিলাক নীতি নিয়ম আছে সেই সকলো বিলাক বিধায়ক সকলক জনাব লাগে। সেই নীতি নিয়ম সম্পৰ্কে বিধায়ক সকলক কব লাগিব। শিক্ষক নিয়োগৰ ক্ষেত্ৰত কোনো বিধায়কে কোনোবা শিক্ষকক ৰিকমেণ্ড কৰিলে ইন্সপেক্টৰ সকলৰ দায়িত্ব আছে সেই স্কুলত সচাঁকৈয়ে সেই শিক্ষকৰ প্ৰয়োজন আছে নে নাই ?

Mr SPEAKER.—It is 12.30 now. Hon'ble members are aware that Gandhain set-up in the Assam Legislative Assembly Library will be inaugurated to-day at 12.30 p.m. Hon'ble Chief Minister will preside over the function. I now request the Hon'ble Members of the House, members in the press gallery and the officials in the officers' gallery to proceed to the library building for joining the function. The House stands adjourned till 2.30 p.m. today.

(The House rose at 12.30 p. m.)

(The House met in the Assembly Chamber for its post-lunch session at 2. 30 P.M. with Hon'ble Speaker in the chair)

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, হাইস্কুল নিযুক্তিৰ ক্ষেত্ৰত দুটা নিয়ম চলি আছে। এটা হৈছে যিবিলাক চৰকাৰী হাইস্কুল, আমি যিবিলাকক গভৰ্ণমেণ্ট হাইস্কুল বুলি কওঁ তাৰ নিয়োগৰ ক্ষেত্ৰত বিধায়ক সকলৰ কোনো অনুমোদন নেলাগে। হাইস্কুল, হায়াৰচেকেণ্ডাৰী স্কুল যিবিলাক গভৰ্ণমেণ্ট তাৰ নিয়োগৰ ক্ষেত্ৰত দুখন চিলেকচন বোৰ্ড আছে। সেই নিয়োগ সম্পৰ্কে মোৰ বিশ্বাসী মাননীয় সদস্য সকলে কোৱা নাই। যিবিলাক স্কুল প্ৰভিন্সিয়েলাইজ কৰা হব সেইটো কথা আমি আলোচনা কৰিছো। প্ৰভিন্সিয়েলাইজ কৰাৰ আগতে এড্‌হক, ডেফিচিত চলিলেও তেতিয়া নিয়োগৰ পৰিচালনা কমিটিয়ে কৰিছিল। আনকি সেই সময়ত যিবিলাক বেচৰকাৰী স্কুল, মাটি মঞ্জুৰীপ্ৰাপ্ত হাই-স্কুল তাৰ নিয়োগ মেনেজিং কমিটিয়ে কৰিছিল। সেই কথা কেইটা সলনি হোৱা নাই। দেখাত বিধায়কক দিলেও সেইটো ভবাৰ দৰে হোৱা নাই। প্ৰথম হল যিবিলাক চৰকাৰী হাইস্কুল আছে আৰু হায়াৰ-চেকেণ্ডাৰী স্কুল আছে তাৰ নিয়োগত কোনো কালে বিধায়কে হস্তক্ষেপ কৰা নাই। নিয়োগৰ ক্ষেত্ৰত বিষয়া সকলে কৰিছে। ইনটাৰমেডিয়েট স্কেলৰ যিবিলাক কৰ্মচাৰী তেওঁলোকক ইন্সপেক্টৰ পৰ্য্যায়ত নিয়োগ কৰাৰ ব্যৱস্থা আছে। গভৰ্ণমেণ্ট হাইস্কুল আৰু হায়াৰচেকেণ্ডাৰী স্কুলৰ ক্ষেত্ৰত দি, পি, আই, য়ে কৰে। আপোনালোকে জানে যে এই সকলোৰে পাবলিক চাৰভিচ কমিশ্বনতো যাব লগা হয়। চৰকাৰী হাইস্কুল আৰু হায়াৰচেকেণ্ডাৰী স্কুলৰ নিয়োগৰ ক্ষেত্ৰত বিধায়ক সকলে কোনো কালে হস্তক্ষেপ কৰা নাই। অসমৰ বেছি ভাগ জিলাৰ সদৰ ঠাইত আৰু মহকুমাৰ সদৰ ঠাইত এখন হাইস্কুল চৰকাৰী, বাকী বিলাক সকলো বেচৰকাৰী আৰু মাটি মঞ্জুৰীপ্ৰাপ্ত আৰু এড্‌হক গ্ৰেণ্টৰ। এই স্কুল বিলাকৰ নিয়োগৰ ক্ষেত্ৰত চৰকাৰে হস্তক্ষেপ কৰা নাছিল। সেই স্কুল বিলাকত নিয়োগ কৰিছিল স্থানীয় মেনেজিং কমিটি বা পৰিচালনা কমিটিয়ে। চৰকাৰীকৰণ কৰাৰ পিচত নতুন এইবিলাক নতুন নীতি নিয়ম ৰক্ষা কৰা হল। সেইখিনি এতিয়াও সম্পূৰ্ণ হোৱা নাই। এই যিটো গেপ তেনেধৰণৰ ঘটনা হব পাৰে। এই সকলো চাই বিধায়ক সকলৰ জৰিয়তে অনুমোদন সপক্ষে ইন্সপেক্টৰে নিয়োগ কৰিছে। দুই এটা ঠাইত এনেকুৱা ঘটনা ঘটিব পাৰে। মাননীয় সদস্যই বিষয়া সকলক সমালোচনা কৰে। বিষয়া সকলৰ ভুলৰ কাৰণে বা হেমাহিৰ কাৰণে নিয়োগৰ ক্ষেত্ৰত বেমেজালি ঘটিব পাৰে। বিধায়কৰ ক্ষেত্ৰত যে এনে ঘটনা নহব পাৰে বুলি মই কব নোৱাৰো। হাইস্কুল আৰু এম, ই, স্কুলত বিধায়ক সকলৰ অনুমোদন সাপেক্ষে ইন্সপেক্টৰে নিয়োগ কৰে যেতিয়া বিধায়ক সকলে ৰিকোমেণ্ডেশ্বন দিয়ে। ইন্সপেক্টৰৰ সম্পূৰ্ণ কৰ্তৃত্ব আছে, যিহেতুকে শিক্ষকৰ নামত ৰিকোমেণ্ডেশ্বন কৰিছে। ইয়াৰ পাচতো যদি তেওঁলোকে আপত্তি দৰ্শায় ডি, পি, আই, য়ে নিশ্চয় চাব। তেনেকুৱা অভিযোগ আমালৈ অহা নাই। মাননীয় সদস্য দাস ডাঙৰীয়াই প্ৰাথমিক স্কুলৰ কথা উল্লেখ কৰিছে। শিক্ষা মন্ত্ৰী ডাঙৰীয়াই নতুন নিয়ম ৰক্ষা কৰিছে। মই অস্বীকাৰ নকৰো। শিক্ষাৰ নিয়োগৰ ক্ষেত্ৰত কিবিলাক অৰ্হতা থাকিব লাগে। তাত মই একমত। প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষকৰ অৰ্হতা আৰু যোগ্যতা থকা হব লাগে। আমাৰ প্ৰাথমিক পৰ্য্যায়ৰ নিয়োগৰ ক্ষেত্ৰত কোনো কালে এইবিলাক আলোচনা কৰা নাই। সেই একে ঘটনাই ঘটিছিল। এটা সময়ত প্ৰাথমিক পৰ্য্যায়ত গাওঁৰ মেনেজিং

কমিটিয়ে চলাইছিল। সেই মেনেজিং কমিটিয়ে প্ৰাথমিক শিক্ষকক নিয়োগ কৰিছিল। তাৰ পাচত চৰকাৰে আইন কৰাত ডি, আই, আৰু এলিমেণ্টৰী বোৰ্ড আছে। প্ৰাথমিক শিক্ষক নিয়োগ কৰাত যিবিলাক ঘটনা ঘটাৰ কথা কয় সেইবিলাক নতুন কথা নহয়। মই আগতেও দুবাৰ কৈছো। কেতবোৰ নিয়ম চলি আছে। সেইবিলাক আমি প্ৰৱৰ্ত্তিত কৰিব লাগিব। এতিয়া বিধায়ক সকলে নিয়োগ কৰিছে আৰু সেই ক্ষেত্ৰত বিধায়কক কৰ্তৃত্ব দিয়া হৈছে। এই কাৰণে যে গ্ৰাম্য অঞ্চলত শিক্ষক সকলৰ দায়িত্ব খুব বেছি। গাওঁৰ শিক্ষক সকলক সন্মান আৰু প্ৰভাৱ খুব বেছি। সেই শিক্ষক সকলৰ নিয়োগৰ ক্ষেত্ৰত বিধায়ক সকলৰ সামাজিক দায়িত্ব আছে। বিধায়ক সকলক সেই শিক্ষক সকলৰ নিয়োগৰ দায়িত্ব কিছুমান দিয়া আছে। এই দায়িত্ব পালন কৰিলে আমাৰ সামাজিক দিশত আৰু শিক্ষাৰ মানদণ্ড ফলৱতী হব। শিক্ষক নিয়োগৰ ক্ষেত্ৰত অৰ্হতা অতি প্ৰয়োজন। এই কথাত মই একমত। নিয়োগৰ ক্ষেত্ৰত দুই এখন ঠাইত খেলিমেলি হৈছে। সেইটো মই অস্বীকাৰ নকৰো। যিবিলাকক নিয়োগ কৰিছে তেওঁলোকৰ অজ্ঞতাৰ কাৰণে পঢ়াৰ লগা হৈছে। বৰ্ত্তমান প্ৰাথমিক পৰ্য্যায়ত প্ৰশিক্ষণ ব্যৱস্থা বাধ্যতামূলক হব লাগিব। প্ৰাথমিক পৰ্য্যায়ত নিয়োগ কৰা শিক্ষক সকলে প্ৰশিক্ষণ লব লাগিব। নিজৰ যিখিনি নজনা কথা আছে বা যিখিনি অসুবিধাৰ সন্মুখীন হয় সেই ফালৰ পৰা মই ভাবো শিক্ষাৰ মানদণ্ড উন্নতি কৰিবলৈ হলে তেওঁলোকে প্ৰশিক্ষণ লব লাগিব। সামাজিক আৰু শিক্ষাৰ মানদণ্ড উন্নতি কৰিবলৈ হলে অৰ্হতাপূৰ্ণ শিক্ষক লব লাগিব।

সেই ফালৰ পৰা মই ভাবো শিক্ষাৰ মানদণ্ড ৰক্ষা কৰিবলৈ হলে আমি অৰ্হতা সম্পন্ন শিক্ষক লব লাগিব আৰু তেওঁলোকক আৱশ্যকীয় প্ৰশিক্ষণ দিয়াই লব লাগিব। এতিয়া এই প্ৰশিক্ষণৰ ব্যৱস্থা আমাৰ ইয়াত যথেষ্ট উন্নত হৈছে। শতকৰা ৮০ ভাগ প্ৰাইমাৰী স্কুলৰ শিক্ষকেই এতিয়া প্ৰশিক্ষণ লৈছে। যোৱা ৩।৪ বছৰৰ পৰা কনডেন্স কোৰ্চৰ ব্যৱস্থা লোৱা হৈছে। শতকৰা ৮০ ভাগতকৈ বেছি সংখ্যক শিক্ষকৰ প্ৰশিক্ষণ হৈ গৈছে। আমাৰ আৰু এটা অসুবিধা হৈছে সেইটো মাননীয় সদস্য এগৰাকীয়ে কৈ গৈছে যে শিক্ষাৰ মানদণ্ড ভালেমান কাৰণত হ্ৰাস হৈছে। তাৰ ভিতৰত এতিয়া দেখা গৈছে ক্লাচ ওৱানৰ পৰা কোনো বাচনী পৰীক্ষা নিদিয়াকৈ ক্লাচ টেন পৰ্য্যন্ত স্থানীয় শিক্ষকৰ মাপকাঠিৰে ক্লাচ টেন পৰ্য্যন্ত গৈ থাকে আৰু পাচত মেট্ৰিক পৰীক্ষাৰ সময়ত ফেইল কৰে। আগতে প্ৰাইমেৰীৰ পৰা এম, ই, লৈ যাবলৈ বাচনী পৰীক্ষা হৈছিল আৰু সেইদৰে এম, ই, ৰ পৰা হাইস্কুললৈ যাবলৈ বাচনী পৰীক্ষা হৈছিল। কিন্তু এতিয়া ক্লাচ ওৱানত এডমিচন ললেই লৰাজনে ভাবে ক্লাচ টেন সহজে পাবগৈ। কিন্তু সেইবিলাক ছাত্ৰক মেট্ৰিকত দেখুৱাতো পাৰ হোৱাত অসুবিধা হয়। স্কুলৰ বছৰেকীয়া পৰীক্ষাৰ বাদে অইন তেনেধৰণৰ কোনো পৰীক্ষা নাই যাৰ দ্বাৰা এই সময় ছোৱাত ছাত্ৰৰ অৰ্হতা পৰীক্ষা কৰিব পাৰি। গতিকে তেওঁলোকৰ মাপকাঠি হল স্থানীয় স্কুলৰ শিক্ষকৰ মাপকাঠি। আমাৰ গাওঁ অঞ্চলত বা ইয়াত যিমান পৰিমাণৰ স্কুল—এম, ই স্কুল, হাইস্কুল, প্ৰাইমাৰী স্কুল প্ৰতিষ্ঠা হৈছে সেইটো ভাল কথা কিন্তু এখন স্কুল পাতিবলৈ কিমান বছৰ লাগে সেইটো জানিবলগীয়া কথা আনকি নতুন স্কুল পাতিবলৈ গৈ কিছুমান শিক্ষকে চাইকেল মাৰি লৰা বিচাৰি ফুৰে আৰু দ্বিতীয় মানৰ লৰাটোক নি ক্লাচ ওৱানত নি নাম লগাই দিয়ে আৰু লৰাজনেও জানে যে স্কুললৈ আহি নাম লগাই ললে ক্লাচ টেনলৈ বিনা দ্বিধাই গৈ থাকিব পাৰিব। গতিকে এইবিলাক কথা চাবলগীয়া হৈছে। বিধায়ক সকলৰ যিটো সামাজিক দায়িত্ব সেইটোৰেই তেখেত সকলে কৈছে আৰু পৰামৰ্শ দিছে। তেখেত সকলৰ কথাখিনি হস্তক্ষেপ বুলি ধৰিব নোৱাৰি। প্ৰাথমিক পৰ্য্যায়তে শিক্ষা দিয়াৰ ক্ষেত্ৰত চিন্তা কৰাটো অতি প্ৰয়োজন কাৰণ এই ষ্টেজতে এনেধৰণৰ শিক্ষা দিব লাগিব যাতে সুনাগৰিক হব পাৰে আৰু তেনেধৰণৰ চিন্তাধাৰা, দৰ্শন কেনেধৰণে আনিব পাৰি সেইটো চাব লাগিব। আমাৰ ৰাজ্যখনত পপুলেচন পেটাৰ্ণৰ কথা আছে। এইবিলাক কৰোতে বহু কথাই জানিবলগীয়া হৈছে আৰু বিধায়ক সকলৰ অনুমোদন দিব পৰা ক্ষমতা থাকিব পাৰে। নিয়োগৰ ক্ষেত্ৰত দুই এঠাইত কৰবাত কিবা এটা হব পাৰে কিন্তু সকলো ঠাইতে হোৱাতো উচিত নহয়। তাৰ পাচত প্ৰাথমিক পৰ্য্যায়ত অনুমোদন দিওতে কিছুমান দিশৰ ওপৰত বিশেষ নজৰ দিব লাগে। ধৰক অংকত যদি শতকৰা ৫০ বা ৫৫ ভাগ নম্বৰ নাপায় সেইদৰে লেঙগুৱেজত যদি শতকৰা ৪৫ ভাগ নাপায় সেইজন শিক্ষকে প্ৰাথমিক পৰ্য্যায়ত বা প্ৰাইমাৰী পৰ্য্যায়ত ছাত্ৰক কেনেকৈ শিক্ষাদান কৰিব? যেনেকৈ ইঞ্জিনিয়াৰিং কলেজত ভৰ্ত্তি হবৰ কাৰণে বাচনি পৰীক্ষা দিব লাগে আৰু মিনিমাম ৫০ ভাগ নম্বৰ পাব লাগে তেতিয়াহে দৰখাস্ত কৰিব পাৰে ঠিক তেনেকৈ বিধায়ক সকলে অনুমোদন জনাওতে অংকত আৰু লেঙগুৱেজত মিনিমাম মাৰ্ক চাই ৰিকমেণ্ড কৰিব লাগে বা অনুমোদন জনাব লাগে অৰ্থাত

চাকৰিৰ কাৰণে কনৱালিফাই কৰিবলৈ এটা মিনিমাম নম্বৰ থাকিব লাগে তেতিয়া নিজে নিজেই এই ক্ষেত্ৰত বেণ্টিফকচন আহি যাব। এইখিনি কথা জাৰি-জোকাৰি চালে শিক্ষাৰ ক্ষেত্ৰত যিখিনি অসুবিধা আহিছে সেইটো বহু পৰিমাণে লাঘৱ হব। এইবিলাক কথা চাই মেলি আৰু শিক্ষাৰ প্ৰশিক্ষণৰ ব্যৱস্থা ক্ষেত্ৰত শিক্ষামন্ত্ৰী মহোদয়ে আগতে কৈ গৈছে আৰু মাননীয় সদস্য সকলেও পৰামৰ্শ দিছে সেইমতে ব্যৱস্থা নিশ্চয় আমি বহুখিনি অসুবিধা দূৰ কৰিব পাৰিম আৰু এইখিনি কৈ মাননীয় সদস্যই কোৱা কথাখিনিটো উঠাই লব দৰুলি আশা কৰিলো।

শ্ৰীহেমেন দাসঃ— আমাৰ আলোচনাত অংশ গ্ৰহণ কৰি মাননীয় মুখ্যমন্ত্ৰী মহোদয়কে ধৰি ভালে কেইজন বিধায়কে এই বিষয়ে মত প্ৰকাশ কৰিছে। আমাৰ মাননীয় সদস্য ৰমেশ ফুকন ডাঙৰীয়াই কৈছে যে বিধায়কৰ হাতত থকাৰ কাৰণে পপুলেচন পেটাৰ্ণত সুবিধা হৈছে ।এই বিষয়ে এটা নীতি থাকিব লাগে বা ঘোষণা কৰিব লাগে আৰু সেই নীতিমতে চলিব লাগে। এতিয়া বিধায়কতো আছেই যোৱা বিধান সভাৰ যি সকল এম, এল, এ আছিল তেখেত সকলেও নিযুক্তিৰ কাৰবাৰ চলাই আছে। সেই সম্পৰ্কে যিটো পপুলেচন পেট্ৰাৰ্ণ সেইটো ভাৰতবৰ্ষৰ সংবিধানত নাই। কিন্তু এতিয়ালৈকে এইবিষয়ে আপত্তি অহা নাই। পপুলেচন পেটাৰ্ণ মতে যত নাই তাত কেনেকৈ দিয়া হব। উদাহৰণ স্বৰূপে মোৰ বাৰ্ঘৰ সমষ্টিত শতকৰা ১০ ভাগ ট্ৰাইবেলও নাপালো তেনেক্ষেত্ৰত তাত শতকৰা এভাগো নহব। গতিকে বিধায়ক সকলে নিযুক্তি দিয়াৰ ক্ষেত্ৰত কোনোমতেই সমৰ্থন যোগ্য নহয়। চৌহান ডাঙৰীয়াই কৈছে যে এম, এল, এ সকলৰ জনপ্ৰিয়তা নাইকীয়া হব যদি এই ক্ষমতাতো তেওঁলোকৰ হাতত নাথাকে। মই এইটোৰ বিৰোধীতা কৰো। আমাৰ এম, এল, এ সকল একজিকিউটিভ নহয় লেজিছলেটিভহে। কৰ্মচাৰী কিবা দুঅফিচাৰ সকলে ভুল-ক্ৰুটি কৰিলে আমি গাৰ্ড দিব লাগে। কিন্তু আমি এতিয়া নিজেই এই চিচটেম থকাৰ কাৰণে আমি অংশীদাৰ হৈ পৰিছো। এতিয়া অফিচাৰে বিধায়কৰ ভুল-ক্ৰুটি উলিওৱা যেন হৈছে। এইক্ষেত্ৰত আগতেই ঘোষণা কৰিছিল যে ডিষ্ট্ৰিক আৰু চাবডিভিজনেল বোৰ্ডে এই নিযুক্তিৰ কাম বিলাক কৰিব। এলিমেণ্টৰী বোৰ্ড আছে তাত এম, এল, এ ৰ ক্ষমতা নাই। বৰপেটাত ৬০টা চাকৰিও এম, এল, এ সকলে দিব পৰা নাই। আন এটা কৈছে— কথাতো অবাস্তৱ। এইক্ষেত্ৰত অবাস্তৱ নহয়। এইটো মেণ্ডেটোৰী-কিয়নো এতিয়া এম, এল, এ ডাঙৰ নে মন্ত্ৰী ডাঙৰ। এজন বিধায়ক বা সমষ্টিৰ বিধায়ক এজন মুখ্যমন্ত্ৰীতকৈও ওপৰত হবনে ? মোৰ হাতত এখন দৰখাস্ত আছে আৰু সেইখন ভাৰতৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীলৈ লিখিছিল ।

Now, I like to read out one letter addressed to Shri Rajib Gandhi, Prime Minister of India. "As back as in 1945, I started a school with tea garden labourers which got Government recognition in 1958. The school was provincialised in the year 1961. In July 1982, I became immovable due to an accident. Government appointed my son in my place and I retired from service in 1983. Then the local MLA demanded Rs. 5,000 from me to regularise the service of my son. As I expressed my inability to pay, my son was discharged. Again Hon'ble Chief Minister and the Education Minister appointed my son there. He was again discharged on 22nd February, 1985. Education Minister has reinstated my son. But now an order has gone to discharge him." Sir, this is the letter.

সেই কাৰণে মই কৈছো এই ঘটনাতোত তেওঁৰ নাম দিয়া আছে। ভাৰতৰ প্ৰধান মন্ত্ৰীলৈকে লিখা চিঠিখনৰ কপি মোৰ ওচৰতো দাখিল কৰিছে। অৱশ্যে মই সমষ্টি বা বিধায়কজনৰ নাম নকও কাৰণ আগতেও বিধান সভাত ৰাজ্যপালৰ ভাষণৰ ওপৰত প্ৰেণ্টৰ ক্ষেত্ৰত ১৫০০ টকা ভেটি যোৱা কথাটোৰ নামটো উল্লেখ নকৰিলো। এইটো মই মুখ্যমন্ত্ৰীক জনাম। (ভইচ) লেখকৰ নামটো কলেও হব। মই

কোনো এম, এল, এ ৰ বিৰুদ্ধে বক্তব্য ৰখা নাই। মই চিচেমটোৰ কথাহে কৈছো ই আমাক কিহলৈ লৈ গৈছে। আজি এই ক্ষমতা এম, এল, এ সকলক নিদিয়া হলে আৰু এই চাকৰি দিয়া সুযোগটো এম, এল, এ সকলৰ হাতলৈ নহা হলে আজি এনেকুৱা অভিযোগ নাহিলহেতেন। পাচ বছৰৰ আগতে হেনো এনেকুৱা ধৰণৰ অভিযোগ কেতিয়াবা আহিছিল। শিক্ষামন্ত্ৰীয়ে আগতে ঘোষণা কৰিছিল যে ডিষ্ট্ৰিক বোৰ্ড বা চাবডিভিজনেল বোৰ্ড কৰিব, তাত এম, এল, এ থাকিব, ডি, চি থাকিব আৰু আন আন সংশ্লিষ্ট বিষয়া থাকিব তেনে কৰাত আমাৰ আপত্তি নাছিল। আজি মুখ্যমন্ত্ৰীৰ অৰ্থবিটিত, শিক্ষামন্ত্ৰীৰ অৰ্থবিটিত ধূলিস্যাত হৈ গৈছে। আজি ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীৰ ওচৰত এনেকুৱা অভিযোগ নগলহেতেন। বিধায়কৰ এইখিনি অধিকাৰ লৈ গলে বিধায়কৰ জনপ্ৰিয়তা কেতিয়াও নকমে। গতিকে মই এই পৰামৰ্শখিনি প্ৰস্তাৱ হিচাবে আগবঢ়াইছো, এইটো সকলোৱে মঙ্গলৰ কাৰণে গ্ৰহণ কৰক।

শ্ৰীশিশির রঞ্জন দাস ঃ— অধ্যক্ষ মহোদয়, এই ব্যাপারে আমি ২ টা কথা বলতে চাই। মাননীয় সদস্য শ্ৰীদাস মহাশয় যদিও নাম ধাম কিছুই বলেন নি— কিন্তু ব্যাপারটা আমার সম্বন্ধে বলা হয়েছে। এই ব্যাপারে আমি স্পষ্টীকরণ দিতে চাই। যে ছেলে সম্বন্ধে এখানে বলা হয়েছে সে মেট্রিকুলেট এবং সেজন্য সে এম ই স্কুলে চাকরী করতে পারে না। কারণ এম, এই স্কুলে চাকরীর জন্য নিম্নতম যোগ্যতা হলো প্রি ইউনিভার্সিটি পাশ করতে হবে। সুতরাং তাকে কি বরে চাকরী দেওয়া যেতে পারে? আর বর্তমানে যে ছেলেকে চাকরী দেওয়া হয়েছে সে বি এ পাশ এবং এক্স টি লেবারারের ছেলে। এখন সে যেখানে সেখানে বলে বেড়াচ্ছে যে ১০ হাজার টাকা চেয়েছি ইত্যাদি ইত্যাদি। কিন্তু মেট্রিক পাশ ছেলেকে কি ভাবে চাকরী দেওয়া যেতে পারে বলুন ?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ— কথাটো প্ৰকাশ কৰিলে যেতিয়া ভালেই হল। তেখেতে নামটো নকলেও মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই কথাটো উল্লেখ কৰিলে। যি কি নহওক কথাটোৰ এটা মোকাবিল হল। এনেকুৱা ধৰণৰ চিঠি আগতে বহুতো যায় বুলি মই আগতেই কৈছো। তেনেধৰণৰ কাম কৰিলে মোকো বৰখাস্ত কৰিব লাগিব। ইয়াত আমাৰ ভিতৰতেই প্ৰধানমন্ত্ৰীলৈ লিখা চিঠি বহুতো আছে। মোৰ বিৰুদ্ধেই লিখিছে যে মই পানবজাৰত ঘৰ বান্ধিছো, কলিকতাত ফ্লেট কিনিছো এনেকুৱা কথাবিলাক চিঠিত লিখি থাকে। এইবিলাকৰ এটা অনুসন্ধান হোৱা ভাল। চুপ্ৰিম কোৰ্টৰ জৰ্জৰ দ্বাৰাই হওক বা চৰকাৰী বিষয়াই হওক। অকল এয়ে আমাৰ বিৰুদ্ধে নানা ষড়যন্ত্ৰ চলি আছে। এই চৰকাৰ ৭ দিনো টিকি নাথাকে, দেশখনত অশান্তি হৈ আছে, হত্যাকাণ্ড হৈ আছে ইত্যাদি নানা ধৰণৰ কথা কৈ থাকে। কিন্তু শান্তি শৃংখলা নিয়ন্ত্ৰণ কৰা হল। আৰু বাইজেও অনুভৱ কৰিছে ৰাজ্যখনত শান্তি বিৰাজ কৰিছে।

এই শান্তি বিৰাজ কৰাৰ ক্ষেত্ৰত যথেষ্ট খিনি সহায় সহযোগ সকলোৱে পাইছো। তাৰ পিছত উন্নয়ণমূলক কাৰ্মবিলাক কৰাৰ ক্ষেত্ৰত আমি বহুখিনি কৰিব পাৰিছো। তথাপিও আ, এল, ই, পি আদি স্কিমত বিধায়কে পইচা খোৱাৰ কথা কয়। উন্নয়নমূলক কাৰ্মবিলাকত বিধায়ক সৰ্কলক ইনভলভ্ কৰা হৈছে আৰু কাৰ্মবিলাক ভাল হৈছে। আইন শৃংখলা নিয়ন্ত্ৰিত হৈছে, উন্নয়ণমূলক কাৰ্মবিলাক ভালকৈ হৈ আছে। এতিয়া এটা উপায় উলিয়াইছে, অপপ্ৰচাৰ চলাইছে দুনীতি কৰা বুলি। আমাৰ সমাজত দুনীতি আছে এই কথা মই বহুবাৰ কৈছো আৰু পুনৰাবৃত্তি কৰিব খোজা নাই। মই ৰাজ্যপালৰ ভাষণৰ উত্তৰত কৈছো যে দুনীতিৰ পৰা মুক্ত কৰিবৰ কাৰণে আমাৰ প্ৰচেষ্টা চলি আছে। কিন্তু দুনীতি নকৰা মানুহক দুনীতিগ্ৰস্ত কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে, ই অতি দুভাগ্যজনক কথা। শ্ৰীদাস ডাঙৰীয়াই কৈছে এখন চিঠি এনেদৰে সজাই পৰাই লিখিছে যে গোটেই কথাটো অনুভৱ কৰা বিষয় হৈ পৰিছে। প্ৰকৃত কথাটো শ্ৰীশিশিৰ দাস ডাঙৰীয়াই ব্যাখ্যা কৰিছে। মেট্ৰিকুলেট লৰাজনক ইন্টাৰমিডিয়েট পোষ্টত কেনেকৈ চকৰি দিব পাৰি? যদি সচাকৈ অসুখ হৈ চাকৰি গৈছে তেন্তে প্ৰাইমাৰী স্কুলত দিবৰ কাৰণে চেষ্টা কৰিব লাগিব। এই কথা বিলাকৰ কাৰণে সিদিনা আলোচনা হৈছে। বাৰ্তাৰ কাকতৰ স্বাধীনতা আছে, বাৰ্তাৰ কাকতত হস্তক্ষেপ কোনোমতে গ্ৰহণীয় নহয়। এই সমাজখনত আমাক হেয় কৰাবৰ কাৰণে ভীষণ ষড়যন্ত্ৰ চলিছে। ইয়াৰ পৰা সাৱধান হব লাগিব। এই দেশখনত ৩ লাখ মানুহক

Speech not corrected.

পুনৰ সংস্থাপন কৰাটো, আইন শৃংখলা নিয়ন্ত্ৰণ কৰাটো, উন্নয়ণমূলক কাম কৰিব পৰাটো বহুতে ইচ্ছা কৰা নাছিল। আজি সেই সকলে অন্য কোনো উপায় নাপাই এটা অস্ত্ৰ উলিয়াইছে— দুনীতিৰ কথাটো। দুনীতিৰ স্পেচিফিক কাৰণ দিব পৰা নাই। স্পেচিফিক কাৰণ দিয়ক, নিশ্চয় ব্যৱস্থা লম। এইটো মই অস্বীকাৰ নকৰো যে দুই এজন বিধায়ক বেয়া থাকিব পাৰে, কিন্তু তাৰ কাৰণে গোটেই বিধায়ক সকল জগৰীয়া কৰাটো উচিত নহয়। বেয়া কাম কৰিছে শাস্তি দিব লাগিব। আজি বিধায়ক সকলে দায়িত্ব লৈছে, ৰাইজক প্ৰতিনিধিত্ব কৰিছে, আমাৰ কতৃত্ব কিয় হেৰুৱাম। কোনোবাই দোষ কৰিছে শাস্তি দিয়ক কোনোবাই বেয়া কৰিছে শাস্তি পাব লাগিব। আমি কতৃত্ব হেৰুৱাব নালাগিব। শ্ৰীশিশিৰ দাসক মই ধন্যবাদ জনাইছো যে তেখেতে সাহসেৰে কথাখিনি কৈ দিব পাৰিছে। শ্ৰীদাস ডাঙৰীয়াৰ চিঠিখন পাই মই বিমোৰত পৰিছিলো। এতিয়া গোটেই কথাখিনি পৰিস্কাৰ হল। মোৰ বিষয়ে লিখিছে অথচ মোৰ নামত ডেৰ ইঞ্চি মাটিও নাই। মোৰ নামত পানবজাৰত অট্টালিকা দেখিছে, কলিকতা, দিল্লীত ফ্লেট দেখিছে। এইদৰে বহু কথাই আছে, লোক আয়ুক্ত বিলখন আহিলে ৰহলাই কব পাৰিম। শ্ৰীদাস ডাঙৰীয়াৰ যিটো ভাব তাক অস্বীকাৰ নকৰো। মই শ্ৰীশিশিৰ দাসক ধন্যবাদ জনাইছো যে সাহসেৰে তেখেতে দায়িত্ব লৈছে। গতিকে মই প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো।

শ্ৰীহেমেন দাস ঃ সেইজনক নিযুক্তি দিয়াৰ কাৰণে মুখ্যমন্ত্ৰীৰ লিখা আছে, শিক্ষা মন্ত্ৰীৰ লিখা আছে, ফটষ্টেট কপি মোৰ হাতত আছে। তেখেতসকলে লিখিছে সেই লবাজনক ৰাখিব লাগে। গতিকে কিয় চাকৰি পাব নালাগে? মোৰ ওচৰত ফটষ্টেট কপি আছে, শিক্ষা মন্ত্ৰীয়েও লিখিছে সেই লবাজনক এম, ই চেকচনত নিযুক্তি দিব লাগে। ইন্সপেক্টৰে কামটো কৰিছিল। ১৯৮২ চনৰ পৰা পাইছে, এম,এল,এ ১৯৮৩ চনত হৈছো। ১৯৮২ চনত চাকৰিটো আছে, এতিয়া কেনেকৈ দিচচাৰ্জ হৈছে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ গোটেই বিষয়টো চাব লাগিব। ১৯৮২ চনত কামত থকা কাৰণে অৰ্হতা নোচোৱাকৈ মই লিখিছো। ১৯৮২ চনত নিয়োগ হৈছে, গতিকে অন্যায় হব নালাগে, মই সেই ভাবত লিখিছো। কিন্তু স্থানীয় বিধায়কে সেইটো চাইছে আৰু সেই কাৰণে সেইটো হব পাৰে। মোৰ ওচৰলৈ আহি ১৯৮২ চনত চাকৰি কৰা বুলি ব্ৰিফ কৰিছে আৰু মই সেই কাৰণে অন্যায় যাতে নহয় লিখিব পাৰো। মোৰ ওচৰলৈ আহি চাকৰিৰ পৰা খেদাব কথা কৈছে। বিধায়কে আচল কথাটো চাইছে যে অৰ্হতা নাই। মই কাৰো অন্যায় হোৱাটো নিবিচাৰো।

শ্ৰীহেমেন দাস ঃ—অধ্যক্ষ মহোদয়, ১৯৮৫ চনৰ ২২ ফেব্ৰুৱাৰী তাৰিখে শিক্ষামন্ত্ৰীয়ে ৰি-ইনষ্টেট কৰাৰ কথা কৈছে। আমাৰ শিক্ষামন্ত্ৰীয়ে যে নিয়োগ নীতি নাজানে এইটো মই বিশ্বাস কৰিবলৈ টান পাইছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ- অধ্যক্ষ মহোদয়, আমাৰ শিক্ষামন্ত্ৰীও নাই, গতিকে মই চাব লাগিব। আৰু চাই লৈ মই এইটো সদনক জনাই দিম। ইচ্ছা কৰি কোনেও এইটো কৰা নাই। সেই-কাৰণেই মই প্ৰথমৰে পৰা চাম বুলি কৈছো।

Shri BENOY KUMAR BASUMATARY—Sir, I am sorry to note that this case came to me also. The fact is that the incumbent was only matriculate. His claim to services were actually highlighted and not his qualification and Mr. Sisir Das also showed me all the original documents. Therefore, Sir, I think our friend Mr. Hemen Das has been taken for a ride. I know this case.

শ্ৰীহেমেন দাস ঃ—অধ্যক্ষ মহোদয়, এই কেচটো মই ইনটেণ্ড হিচাবেহে আনিছো। ইয়াৰ এটা ৰিজলিউচনো আছে। Sir, my Resolution stands.

Mr. SPEAKER.—Whether Hon'ble Member is going to withdraw the Resolution ?

Sri HEMEN DAS.—Sir, I am not going to withdraw.

Mr. SPEAKER.—There is a Resolution before this August House. "This Assembly recommends to the Government of Assam to abolish with immediate effect, the present practice of appointing teachers of the High Schools in the State on the recommendation of the local Members of the Assam Legislative Assembly without proper assessment of merit by a competent authority."

The Resolution is lost.

Now, Resolution No. 3 tabled by Shri Benoy Kumar Bosumatary, Shri Tajamul Ali Laskar, Shri Alit Chandra Boro and Shri Md. Hussain. Shri Benoy Kumar Bosumatary to move.

Shri BENOY KUMAR BASUMATARY.—Sir, under Rule 150, I beg to move that in view of the 428 per cent inflation during the past 20 years and in view of the five fold increase in the price of petroleum products this House recommends to the Government for introducing a legislation for suitably enhancing the pay and allowances of the members of this House."

Sir, I do not know if I have to say more about this Resolution. If I compare myself to even a Chowkidar in the banks I think I am less paid than the Chowkidar in the Bank. Sir, our salary is Rs. 600 and allowance is Rs. 400 only. When I come from home to Dispur on Assembly business, the bills, of course, are paid by the Assembly Secretariat. But when I come out of my house to Dispur every week it is difficult to run with this meagre amount of Rs. 400. In fact, we have to move out of Dispur to different parts of the State to attend affairs of the people of the State. Therefore, Sir, this sum that is provided to us as travelling allowance is insignificant aud this pay, as you know, is also very insignificant. Now, Sir, we are not given other facilities which are available to other States. For instance, in U.P. and West Bengal, free railway travels are allowed but in our State, the railways are not at our disposal. So, we

will have to use our own car or we have to travel by public transport. Sir, the situation in the State is such that it is not adviseable for any member of the House to use public transport that is normally available because we have to travel with P. S O. and he being alone man has some weapon with him as per police regulations. Sir, if the M. L. A. is simply a peace-living man, he cannot prepare to face any consequence that may be pushed upon. him Therefore, Sir, the Personal Security Officer along with the member of the House has always been in danger of some violence or some incidents whereas if the member would have been a person like me, can take care of myself and definitely face any of the situation. Sir, this is the case with every one of us and it has become imperative that we are provided with light vehicle. Sir, in other advanced countries, members of any legislature are provided with secretarial staff. They are provided with adequate telephone services, they are provided with postal expenses. Perhaps we are a very poor country, we cannot afford this. But the quantum of work and the sphere of activities that we are to operate is similar to those of other advanced countries and in our country, the amount of work is more than the advanced country. Therefore, I would appeal that this Resolution be adopted and members of this House may be given respectful source of income and probably this is very essential because, sometime, we hear, we have just discussed that some of the members are forced to go into some unfair dealings and may be that whatever he is getting legally is insufficient. The situation of each one of us of the House is same and therefore we should provide adequate subsistence to the Members of the House so that they are not forced to go for unfair dealings. With these, Sir, I beg to move the Resolution and request of all concerned to accept this Resolution.

শ্ৰীমথুৰা ডেকা :— চেয়াৰমেন মহোদয়, আমাৰ বসুমতাৰী ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটো মই সমৰ্থন কৰিছো।

চেয়াৰমেন মহোদয়, আমাৰ সঁচাকৈয়ে বৰ বেয়া পৰিস্থিতি হৈছে, মানুহে আমাক কয়— আমাৰ হেনো হাত দীঘল মানে যতে হাতদিওঁ ত'তে পইচা পাও। কিন্তু প্ৰকৃততে আমাৰ অৱস্থা বৰ কাহিল। গুৱাহাটীৰ ডি, চিৰ অফিচলৈ গলে আমাক কুৰি টকা লাগে অহা যোৱা অট' ফেয়াৰ, সেইবাবে আমি কিছুমান মিটিং বাদ দিব লগা হৈছে। অফিচে অফিচে ঘূৰিবলৈ আমি ক'ৰ পৰা টকা পাওঁ? দুপইচা কৰবাৰ পৰা ললেও আপোনালোকে ধৰে কাৰ পৰা পালো বুলি। ইফালে পইচা বঢ়াওক বুলি আমি এটা প্ৰস্তাৱ ললে কালিলৈকে ডাঙৰ ডাঙৰ হৰফেৰে বাতৰি কাকতত ওলাব, গতিকে আমাৰ বিপদৰ

সীমা নোহোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে বুলিং পাৰ্টিৰ বিধায়ক সকলক কিছু কিছু সুবিধা দিছে; তেখেতে সকলক গাড়ী দিছে আৰু কিছু কিছু সুবিধা দিছে। মুখ্যমন্ত্ৰীক বাবে বাবে কোৱাৰ পিচত সময়ে সময়ে গাড়ী একোখন দিয়ে, কিন্তু সাতদিন মান চলোৱাৰ পিচত যি খিনি তেলৰ দাম উঠৈগে তাৰ কাৰণে গাড়ী এৰি দিব লগা হয়, তেল লাগে, কেতিয়াবা বোঁচকৈও লাগে। দৈনিক ৬৫ টকাৰ আছিল এতিয়াতো দাম আৰু বাঢ়িল। এতিয়া আমি কি কৰোঁ? ৰাজভোগ এৰি দিওনে ৰাখো? এৰি দিলেও পুলিচ উঠাই নিব আৰু আমাক পাব মৰাদি মাৰিব? অকল আমাৰ দৰমহা বঢ়াবলৈকে আমি কব নোৱাৰোঁ। সকলো কৰ্মচাৰীৰে দৰমহা বঢ়াওক, আমাৰ আপত্তি নাই। আমাৰ দুপইচা বঢ়াবলৈ কলেই কাগজত ওলাব, আমাৰ দুখৰ কথা কিমান কম, আপুনি নপতিয়ালে কোনেও নপতিয়াই। মেম্বাৰ এনাউন্স পেন্সন বিল খন যেতিয়াই দিলে জন সমাজত আওবান উঠিল, আমি মেম্বাৰ সকলে হেনো দৰমহা বঢ়াই লব বিচাৰিছো দুই এজনে মন্তব্য দি কলেই এওঁলোকক আৰু কিমান দৰমহা লাগে? কিন্তু ইয়াৰ মাজতে যে পেঞ্চনৰ কথা আছে সেইটো মানুহে নুবুজে। কাৰণ মানুহে কাগজৰ কথা সকলো নপঢ়ে, হেড লাইন কেইটাহে পঢ়ে। বিলখনত যে মেম্বাৰৰ দৰমহা নাই ,পেঞ্চনাৰ সকলৰ পেঞ্চন পোৱাৰ সুবিধাহে কৰা হৈছে সেইটো বুজিবলৈ নেযায়।

(সদনত হৰ্ষধ্বনি)

যদিও কথা কেইটা মই হাঁহি হাঁহি কৈছো, চেয়াৰমেন মহোদয়, এইটো অকল মোৰে বেদনা নহয়, এইটো সকলোৰে বেদনা। সেই কাৰণে মই কৈছো আপোনালোকৰ সকলো মন্ত্ৰী হওক কিজানি আমি কিছু সুবিধা পাওঁৱেই, বাকী থকা কেইজন চেয়াৰমেনটো হৈছেই মন্ত্ৰীও হওক। তেলৰ দাম বাঢ়িল, আমাক যদি কুপনো দিয়ে তেন্তে গাড়ীৰ নম্বৰো লাগিব। বসুমতাৰী ডাঙৰীয়াই কৈছে অন্যান্য ৰাজ্যত এম, এল, এ সকলে অনেক সুবিধা পায়। তথাপি মই কওঁ বিত্তমন্ত্ৰী আছে, মুখ্যমন্ত্ৰী আছে, তেখেত সকলে যেন কথাটো উঠাই লবলৈ নকয়, আগতে মই তেখেতক অনুৰোধ কৰিছো। উঠাই লব লাগিলে আমাকো কিবা এটা দিয়ক। আমি এম, এল,এ হৈ বৰ টান পাইছো। আমি দুখন কাগজ ৰাখিব নোৱাৰো। চেয়াৰমেন মহোদয়, মই কৈছিলো অধ্যক্ষ মহোদয়ক দুখন কাগজ দিয়াৰ কথা, দিলে ড্ৰেচিং টেবুল, সেইখনেৰে দাড়ি খুৰুৱাৰ বাহিৰে কি হব? আমাৰ যি খিনি খোৰাকীৰ দৰকাৰ বিধায়ক হিচপে আমি আমাৰ অভাৱ-অভিযোগ উত্থাপন কৰিবৰ কাৰণে আৰু কত কি হৈছে সেইবিষয়ে উত্থাপন কৰিবৰ কাৰণে আমাক কাগজ লাগে। আজি শিক্ষকৰ নিয়োগৰ ক্ষেত্ৰত মিমাংসা হৈ গল। আজি আমাৰ মাছ নাখায় জিজি খোৱাৰ দৰে যি খিনি সমস্যা হৈছে ই অতি গুৰুতৰ সমস্যা, আমি আজি কতো যাব নোৱাৰো। প্ৰজেক্ট বিলাক চাবলৈ যদি আমি যাব নোৱাৰো আৰু পথবিলাক চাবলৈ যদি আমি যাব নোৱাৰোঁ, তেন্তে সেইবিলাক সমাধানৰ আমি কি উত্তৰ দিম আমি নিজ চকুৰে চাই কব পাৰিব লাগিব কি বোৰ আসোঁৱাহ আছে, টকা দিয়াৰ পাচতো কামযে হোৱা নাই।

চেয়াৰমেন মহোদয়, কামৰূপ জিলাৰ এটা অফিচৰ পৰা আন এটা অফিচলৈ যাবলৈ আমাৰ বহুত খৰচ হয়, লাইন বাচ বা চিটী বাছত আমি যাব নোৱাৰো, কাৰণ চিকিউৰিটি আমাৰ লগত যায়। তেওঁলোকক যাবলৈ মানাকৰিলেও নুশুনে কয়— আমি যাবই লাগিব। গতিকে ষ্টেনগান লোৱা মানুহজন কেনেকৈ চিটী বাছত লৈ যায়? চেয়াৰমেন মহোদয়, আপুনি চিন্তা কৰক, মন্ত্ৰীয়ে চিন্তা কৰক। এই কথাটো কৰৰ কাৰণে অধ্যক্ষ মহোদয়, আজি আমি লজ্জা এৰি পেলাইছোঁ। শ্ৰীবসুমতাৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ দাঙি ধৰিছে তাৰ কিবা এটা ব্যৱস্থা আমাক দিব লাগে, নহলে আমাকো চেয়াৰমেনেই পাতি দিয়ক, আমাৰ না মানুহ কেইজন? এই মানুহ পাচজনক আপোনালোকে ইমান হিংসা কিয় কৰে? এসময়ত প্ৰাইমেৰী শিক্ষকৰ নিযুক্তি দিয়াৰ সুবিধা দিছিল এতিয়া আপোনালোকৰ মানুহ দি তাতো জোট লগালে। গতিকে, এতিয়া বৰ বেছিকৈ নিদিলেও আধা পেতীয়াকৈ খাই জীয়াই থকাৰ ব্যৱস্থা দিয়ক। আমাক দৰমহা নেলাগে বাইজে যেতিয়া বেয়া পাই নলও কিন্তু আমি অলৈ তলৈ যোৱাৰ বাবে গাড়ীভাড়া ৰেল ভাড়া দিয়ক। এই ভাড়া খিনি দিলেই আমি সন্তুষ্ট হম আপোনালোকৰ পৰা কোনো এলাউন্স নলও। আমি বিধায়ক সকল ইমান বোৰ কমিটিৰ মিটিঙলৈ যাব লাগে, প্ৰতিখন মিটিঙলৈ যাওতে আমাৰ যথেষ্ট খৰছ হয়, সেই বাবে কিছুমান মিটিঙত যাবলৈ এৰিছো, মিটিং বোৰতো আমাক একোৰে নিদিয়ে। আপোনালোকে পেট পুৰাই খাব আমাৰ কাৰণে কিয় অলপো নেভাবে; ভাবক। আমি শক্তি মান হলেহে, আপোনালোক শক্তিমান হব।

শ্ৰীহেমেন দাস :— মাননীয় চেয়াৰমেন মহোদয়, এই প্ৰস্তাৱটো দুটা বিষয়ত গুৰুত্ব দিয়া হৈছে। মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই কৈছে যে পেট্ৰোলিয়ামৰ প্ৰাইচ ৰাইজ হৈছে। আৰু অন্যান্য বস্তুৰে প্ৰাইচৰাইজ হৈছে। আৰু আমাৰ ডেকা ডাঙৰীয়াইও যিটো কথা কৈছে ভ্ৰমণ আদিৰ সম্পৰ্কত এইটো সচাঁ কথা। আজি ভাৰতবৰ্ষৰ অসমৰ বাহিৰে বাকীবিলাক প্ৰদেশত ৰেলৰ ভাৰা আৰু বাছৰ ভাৰা বিধায়ক সকলৰ কাৰণে ফ্ৰি। অকল সেয়ে নহয় অন্যান্য প্ৰদেশ কিছুমানত ৮ হাজাৰ মাইললৈকে বিধায়ক সকলে ফ্ৰি ট্ৰেভেল পায়। কিছুমানত আকৌ ৩ হাজাৰ মাইললৈকে আছে। আকৌ এখন বিধান সভাত বিধান সভাৰ সময়ত সৰ্পাৰিয়ালে টিএ পায়। হাউচ ৰেণ্টৰ ক্ষেত্ৰত মাত্ৰ ২৫ টকা মাহে দিব লাগে অন্যান্য প্ৰদেশৰ বিধায়ক সকলে। আমাৰ এতিয়াও ৬০ টকা। গতিকে এই বিলাক ভাবি চাবলগীয়া হৈছে। মই অৱশ্যে বেতন বঢ়াই দিয়াৰ সমৰ্থন নকৰো। কিন্তু বাকী যিবিলাক ভ্ৰমন বানচ আদি সেইটোহে চাবলগীয়া। মই পে আদি বঢ়াই দিবলৈ নকও। এইটোৰ মই সমৰ্থন নকৰো।

*শ্ৰীমহম্মদ ইদ্ৰিছ (বিত্ত মন্ত্ৰী) :— মাননীয় চেয়াৰমেন মহোদয়, মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ কৰিছে আৰু লগতে যিখিনি যুক্তি দাঙি ধৰিছে সেই খিনি অকাট্য যুক্তি। প্ৰাইচ ৰাইজ হৈছে, সেইটো ঠিক শতকৰা ৪৮ ৰ পৰা বাঢ়ি ৪০০ শতাংশ পাইছেগৈ। আৰু ভালকৈ চালে আৰু বেছি ইন্‌ফ্লেচন হোৱা বুলি অনুমান হব। কিন্তু মৌলিক কথাটো হৈছে আজি চৰা দামৰ কাৰণে বা ইন্‌ফ্লচনৰ কাৰণে যিটো অৱস্থাৰ উদ্ভৱ হৈছে সেই অৱস্থাত আমাৰ বিধায়ক সকলৰ কাৰণে যিমান কষ্ট হৈছে তাতকৈ বহু বেছি হৈছে জনসাধাৰণৰ কাৰণে আৰু কৰ্মচাৰী সকলৰ কাৰণে হৈছে। সেই কাৰণে আমাৰ এই বিধায়ক সকলৰ অসুবিধাৰ কথা বেতন আৰু এলাৱেন্স আদিৰ কথাটো চাকৰিয়াল সকলৰ লগত তুলনা কৰা কথা নহয়। বা অন্য কোনো সংস্থাৰ লগত তুলনা কৰা কথা নহয়। মাননীয় সদস্য সকলে নিজৰ পৰিয়ালৰ ভৰণ পোষণৰ কাৰণে বা বিধায়ক হিচাপে নিজৰ দায়িত্ব পালন কৰিবৰ কাৰণে যি খিনি খৰছ আমি কৰিব লাগে গোটেইখিনি অৱশ্য আমি কৰিব পৰা নাই। কিন্তু তথাপিও আজি দেখা যায় সমগ্ৰ ভৰতবৰ্ষৰ কতো অসমৰ সমান বিধায়ক বানচ ধাৰ্য্য কৰা নাই। ইয়াৰ পৰা মই কব খুজিছো যে মাত্ৰ দুখন ৰাজ্যত দিছে ৭০০ টকাকৈ। এখন হৈছে কৰ্ণটক আৰু আনখন নগনলেণ্ড। বাকী বিলাক প্ৰদেশত আমাতকৈ কমেই আছে। তাৰ ভিতৰত মেঘালয় আৰু জম্বু-কাশ্মীৰত ৬০০ টকাকৈ দিছে। সেই কাৰণে মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই ঠিকেই কৈছে যে বেতন বঢ়াব নালাগে।তেখেতে আৰু এটা কথা কৈছেযে পেট্ৰোলৰ দাম বাঢ়িছে। যিটো বসুমতাৰী ডাঙৰীয়াইও এটা মৌলিক প্ৰশ্ন হিচাপে আনিছে যে পেট্ৰলৰ দাম পাঁচ গুন বাঢ়িছে, কিন্তু যাতায়তৰ কাৰণে ভ্ৰমণ বানচ বঢ়াই দিয়া নাই। সেয়ে এই ভ্ৰমণ বানচ বঢ়াব লাগে। তেখেতে এনে ধৰণে যুক্তি দিছে আৰু সেইটো বাস্তৱ বুলিও কৈছে আৰু কথাটো সচা। অন্যান্য ৰাজ্যত ৰেল যায়তৰ কাৰণে আৰু বাছত যাতায়তৰ কাৰণে সুবিধা দিয়ে আৰু সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰণৰ কাৰণেও সুবিধা দিছে এই কথাবিলাক সঁচা। কিন্তু আমাৰ ৰাজ্যত এইবোৰ সা-সুবিধা নাথাকিলেও এলাৱেন্সৰ ক্ষেত্ৰত যোৱা ২০ বছৰৰ পৰা যদি চোৱা যায় ১৯৬২ চনৰ পৰা আৰম্ভ কৰি আজিকোপতি, তেতিয়া আমাৰ এলাৱেন্স আছিল খুব কম। আৰু আজি ভলেখিনি বৃদ্ধি কৰিছো। এই অংশটো মই সদনত পঢ়ি শুনাব খুজিছো—

In 1965 the monthly salary of a Member was Rs. 250/-. We have since voted ourselves an increase in salaries twice so as to make it Rs. 600/- per mensem. In the matter of daily allowance also we have not fared badly. In 1965 we were entitled to daily allowance at the rate of Rs. 20 per day at Shillong and Rs. 7.50 at other places the current rate is Rs. 45/- inside the State, Rs. 67.50 in the other North Eastern States and Rs. 90 outside the North-East. In the matter of mileage allowances also we are being looked after reasonably well. Till 1963 we were not

*Speech not corrected

entitled to any fixed travelling allowance· From 1st April 1963 we became entitled to a fixed monthly travelling allowance of Rs. 150/- This has since been raised twice and the present rate is Rs. 400/-per month. In the matter of medical facilities also there has been improvement since 1965· Earlier Members of this House were entitled to medical facilities at per with Govrenment servants only while on duty. But with effect from 1st April, 1969, we became entitled to such facilities even when not on duty. A further improvement was made in 1970 when medical facilities available to members were extended to their families. Again for the first time in 1974 telephone facilities were provided to Members at the cost of Government. We are still enjoying this benefit. While attempting to exteud various benefits to the Members of this House, we have not forgotten the former members to whom pensionary benefits have been extended since 1983.

বৰ্ত্তমান পৰিস্থিতিত এলাৱেন্স খৰচ কম হৈছে বুলি মই কব খোজা নাই। কিন্তু ভ্ৰমণ বানচ কথাটো অতি বাস্তব কথা হৈছে যে ভ্ৰমণৰ কাৰণে বানচ বঢ়োৱা নাই অথচ খৰছ বাঢ়ি গৈ আছে।

সেই কাৰণে এটা কথা চিন্তা কৰিলে দেখা যায় যে টি এৰ ৰেট বঢ়াই দিয়াই উচিত হব।

আৰু এটা কথা হৈছে যে টেলিফোন চাৰ্জ যিহেতুকে ট্ৰাংক কলৰ চাৰ্জ বাঢ়ি গৈছে সেই কাৰণে ইয়াৰ চাৰ্জো বঢ়াই দিব লাগে। ট্ৰাংক কলৰ খৰচ যে বাঢ়ি গৈছে সেই কথাটো আমি সকলোৱেই উপলব্ধি কৰিছো। এই সম্পৰ্কত শ্ৰীডেকাই যি ধৰণেৰে বুজাবলৈ চেষ্টা কৰিছে তাত আমাৰ দ্বিমত নাই। আমাক যি খিনি সুবিধা লাগে সেই আটাইখিনিকেই যদি আমি লৈ লওঁ অৰ্থাৎ শতকৰা ১০৮ ভাগ সুবিধাই যদি আমি লৈ লওঁ তেতিয়া হলে আমি দেশৰ জনসাধাৰণৰ কাৰণে কি ন্যায় কৰিব পাৰিম ? সেই কাৰণে মইও এটা কথা ভাবিছোঁ যাতায়তৰ কাৰণে কিছু সুবিধা কৰিবৰ কাৰণে যাতে কিছু বৃদ্ধি কৰিব পৰা যায় সেইটো আমিও চিন্তা কৰি চাইছো। ইয়াৰ পৰা এখন মেলত এটেন্ড কৰিবলৈ ডি চি অফিচলৈ গলে যিমান টকা পাব নিজৰ নিজৰ সমষ্টিৰ পৰা আহিলে তাতকৈ বেচি টকা পাব।

Shri BINOY KUMAR BASUMATARI—We do not get any TA for attending other Committee meetings. There are hundreds of such Committees. We get TA only in the case of attending Assembly Committees and during Sessions.

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) :— এছেম্বলী কমিটিত গলে পইচা যে পায় সেইটো জানো কিন্তু চৰকাৰী কমিটিত গলে পইচা পায়নে নেপায় সেইটো মই নেজানো, সেইটো মই চাম। এই পৰিপ্ৰেক্ষিতত মই এইটো কথা নিবেদন কৰিব খুজিছো যে বিধায়ক সকলৰ সা-সুবিধাৰ কথাটো আমি যি ধৰণে মানি লৈছো সেইদৰে ৰাজ্যৰ বিত্তীয় পৰিস্থিতিৰ কথাটো আমি মনত ৰাখিব লাগিব। এই দিশত মই বিধায়ক বন্ধু সকলক ৰাজ্যৰ বিত্তীয় পৰিস্থিতি অনুধাৱন কৰি তেখেত সকলক বাইজৰ কাৰণে কিছু ত্যাগ কৰিব লাগিব। শ্ৰীবসুমতাৰীয়ে কোৱাৰ দৰে বেলেগ দেশৰ উচ্চ স্তৰৰ সুবিধা ভোগ কৰিছে আমাৰ বিত্তীয় পৰিস্থিতি ভাল হোৱা হলে আমিও সেই সুবিধা ললোহেতেন। আমি কিছু ত্যাগ স্বীকাৰ কৰিব

লাগিব। গই ভ্ৰমণ বানচ বিভ্যাইচ কৰাৰ কাৰণে বিবেচনা কৰি চাম। টেলিফোনৰ কথাটোও চিন্তা কৰি চাম। এই খিনিকে কৈ মই বিধায়ক বন্ধু সকলক এই প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো।

শ্ৰীমথুৰা ডেকা ঃ— বিত্ত মন্ত্ৰীয়ে দৰমহা বঢ়াই দিয়াৰ যিটো কথা কৈছে আমি সেইটো কোৱা নাই। আমি যাতে অসমৰ যিকোনো ঠাইলৈ যাব পাৰো তাৰ কাৰণে আমাক বাছৰ ভাড়াটো দিলেই হব।

Shri BINOY KUMAR BASUMATARI—I am quite happy for the assurance given by the Finance Minister. Therefore, I would like to withdraw the Resolution.

Mr. SPEAKER—Is it the pleasure of the House to grant leave to withdraw the Resolution?

(Resolution is withdrawn)

Regarding Resolution No. 4, the hon'bl member is not going to move. So, the House stands adjourned till 10 A. M. of day after tomorrow the 4th April, 1985.

## ADJOURNMENT

The House then rose at 3-47 P. M. and stood adjourned till 10 A. M. on Thursday, the 4th April, 1985.

Dated Dispur :
The 2nd April, 1985.

Dr. P. N. HAZARIKA,
Secretary,
Assam Legislative Assembly.

AGP. (Mini) L. A. 155/88—1,500—18-1-89.